স্বাধীনতা

—ইষ্টদেব—

স্বাধীনতা

6-৪৮

DISTRICT LIBRARY
(HEM BARUA COLLECTION)
TEZPUR

লিখক ও প্ৰকাশক

শ্ৰীইষ্টদেৱ নবিশ

বৰপেটা।

GOVERNMENT OF ASSAM
Call No ....
DISTRICT LIBRARY.

All rights reserved by the writer.

দাম ।০ অনা ।

—স্বাধীনতা—

৮-৪৮

DISTRICT LIBRARY
(HEM BARUA COLLECTION)
TEZPUR

লিখক ও প্ৰকাশক

শ্ৰীইষ্টদেৱ নবিশ

বৰপেটা ।

—:o:—

GOVERNMENT OF ASSAM
Call No...............
DISTRICT LIBRARY.

All rights reserved by the writer.

মূল্য ।০ অনা ।

—শুধৰণি—

পিঠি	শাৰী	হৈছে	হ'ব লাগিছিল
৩	৫	দেশে	দেশত
"	১৩	তোতয়া	তেতিয়া
"	"	কবি	কবিৰ
৪	৩	আত্মনিৰ্ভৰ	আত্মনিৰ্ভৰশীল
৫	৪	আগবিস্মৃতি	আত্মবিস্মৃত হৈ
৬	১৫	শোষণকবি	শোষণকাৰী
৮	৬	সাম্ৰাজ্যবাদৰ	সাম্ৰাজ্যবাদী
"	১৫	নিৰ্ভৰ	আত্মনিৰ্ভৰ
"	১৮	গুচে	যাতে গুচে
১০	৩	আশ্বৰক	আৱশ্যক
১৪	১৩	আনক	আনকি
"	১৫	তেওঁকে	তেওঁকো
১৫	৯	দেহাতিমানী	দেহাভিমানী
২০	১৬	বিষয়টো	বিষয়টোৰে
২২	১৪	জীৱনী	জীৱনীশক্তি
২৩	৯	কাৰ	কবি
২৬	১৭	এই	যি
২৮	৫	তেতিয়া	বেতিয়া
২৯	১৩	নহে	নিজে

—শুধৰণি—

পিঠি	শাৰী	আছে	হব লাগিছিল
৩	৫	দেৌশ	দেশত
৯	১৩	তোওয়া	লৈছিয়া
"	১১	কবি	কৰিব
৪	৩	আত্মনির্ভৰ	আত্মনির্ভৰশীল
৫	৪	আত্মবিস্মৃতি	আত্মবিস্মৃত হৈ
৬	১৭	শোষণকৰি	শোষণকাৰী
৮	৬	সাম্রাজ্যবাদৰ	সাম্ৰাজ্যবাদী
৯	১৫	নির্ভৰ	আত্মনির্ভৰ
৯	১৮	গাছে	যাতে গাছে
১০	৩	আশ্যক	আৱশ্যক
১৭	১৩	আনক	আনকি
"	১৫	তেওঁক	তেওঁৰ বা
১৫	৯	দেহাভিমানা	দেহাভিমানী
২০	১৬	বিষয়টো	বিষয়টোৰ
২২	১৪	জীৱনী	জীৱনীশক্তি
২৩	৯	কাব	কবি
২৬	১৭	হই	যি
২৮	৫	তেহিয়া	যেতিয়া
২৯	১৩	নজে	নিজে

পিঠি	শাৰী	হৈছে	হবলাগিছিল
৩৫	৭	এনেকুৱা	কেনেকুৱা
৩৬	৮	বিপৰীত	বিপৰীতে
৩৯	১৭	যে আনে	যে যদি আনে
৪৪	৯	অধীকাৰ	অধিকাৰ
৪৫	৯	সভ্য সত্য	সত্য
,,	১৩	নিজৰ	নিজক
৪৬	৩	দুৰলৈ	দুৰহৈ
,,	৪	স্থিৰলৈ	স্থিৰহৈ
,,	১৬	লক্ষ	লক্ষ্য
,,	২১	বোৰকেক সত্যই আশ্ৰয়	বোৰকে সত্যৰ আশ্ৰয় লৈ
৪৭	৫	লক্ষ	লক্ষ্য
৪৮	১৮	মানুহে	মানুহ
৫০	১৫	প্ৰেম	প্ৰেমত
,,	১৮	সি	যি
৫৩	৩	স্বাধীনতা	স্বাধীনতাৰ
,,	৪	আমাসত	আশাত
৫৫	১৪	দেশতো	দেশৰো
৫৭	১৭	কৰ্ম্মসমুহ	কৰ্ম্মসমুহত
৫৮	৩	শক্তিয়েই	শান্তিয়েই

সূচী

বিষয়	পৃষ্ঠা
আত্মনির্ভরশীলতা	১
প্রেরণা	৫
দেহাত্মবোধ	১৩
মনত আত্মবোধ	১৬
প্রকৃত আত্মজ্ঞান	২০
সংযম	২৫
ব্রহ্মচর্য্য	৩৪
অহিংসা	৩৭
সত্য	৪১
বিশ্বপ্রেম	৫০
শান্তি	৫৭

—ওঁ—

=সমৰ্পণ=

যাৰ আদি অন্ত নাই   নিষ্কলঙ্ক সৰ্ব্বদাই,
সৰ্ব্ব-ব্যাপী সৰ্ব্ব-শক্তিমান ।
উচ্চ নীচ মূৰ্খ জ্ঞানী,   সৰু বৰ যত প্ৰাণী,
সকলোতে যাৰ সমজ্ঞান ॥
ভেদাভেদ নাই যাৰ,   সমদৰ্শী সৰ্ব্বাধাৰ,
চিৰকালে পূৰ্ণানন্দময় ।
বিশ্ব-ব্যাপী সকলোতে,   বিৰাজিছে একেমতে,
যি জনেই সবাৰো আশ্ৰয় ॥
জগতৰে আত্মা সেই,   'তেওঁ' সমস্তৰে 'মই'
পূৰ্ণ প্ৰেম সত্য শান্তি য'ত ।
বুলি 'ওঁ শান্তি জয়,'   সমৰ্পিলো সমস্তয়,
তেওঁৰেই পবিত্ৰ নামত ॥

—ইষ্টদেৱ—

শক ১৮৬০
ইং ১৯৩৯ সন ।

আগ কথা

প্ৰাকৃতিক নীতিৰ জেওৰাৰে স্বাধীনতা পৰিবেষ্টিত। মানুহে এই জেওৰা ডেঙাই পাৰ হলেই স্বেচ্ছাচাৰিতাৰ ক্ষেত্ৰত নামে। এনে অৱস্থাত সমাজত অৰাজকতা আৰু বিশৃংখলতা ঘটে। আমাৰ সমাজৰো বৰ্ত্তমান পৰিস্থিতি তেনেই বুজিব পাৰি। কি গৃহ, কি সমাজ, কি ৰাষ্ট্ৰ সকলো ক্ষেত্ৰতেই স্বাধীনতাৰ নাম লৈ স্বেচ্ছাচাৰিতাৰ বাতাবৰণ। গৃহস্থালি, সমাজ আৰু ৰাষ্ট্ৰৰ বাহ্যিক শাসন অংকুশ তুলি ললেই আমি পূৰ্ণ স্বাধীনতা লাভ কৰিম এই ভুল ধাৰণাই আমাৰ সকলো কামতে ৰহণ সানিছে তেহেলৈ বিবেক অংকুশৰ দ্বাৰা হৃদয় মন পৰিচালিত কৰি আত্ম উপলব্ধি কৰিব পাৰো বা নোৱাৰোৰেই। এই আত্ম-উপলব্ধি বা আত্ম-বোধেই প্ৰকৃত স্বাধীনতা।

লেখক নিজে আত্ম-নিৰ্ভৰশীল, স্বাধীন আৰু সংযতচিত্ত যুৱক। নিজৰ জীৱন আদৰ্শপূৰ্ণ হৈছে। নৱ-লেখক বুলি গুৰুভাৱবোৰ অনুৰূপ ভাষাৰে সজাব নোৱাৰিলেও তেওঁৰ আন্তৰিকতা আৰু সৰলতাই যুৱক সম্প্ৰদায়ক আকৰ্ষণ কৰিব এইটো ডাঠি কব পাৰো। স্বাধীনতা কি ইয়াকে বুজাবলৈ যি প্ৰয়াস কৰিছে আৰু স্বাধীন ভাৱে জীৱন-যাত্ৰা চলাবলৈ যি আদৰ্শ নিজে দেখুৱাইছে সি সকলোৰে অনুসৰণীয়।

বৰপেটা,
১৭ পুহ শকাব্দ—৪৯০।

শ্ৰীগিৰিশ চন্দ্ৰ ৰায় চৌধুৰী বি-এ
হেড্ মাষ্টৰ, বৰপেটা গৱৰ্ণমেণ্ট
হাই-স্কুল।

PLEASE HANDLE THE BOOK CAREFULLY

স্বাধীনতা

আত্মনির্ভৰশীলতা

আমি সকলোৱে এক মহা শান্তিপূর্ণ অৱস্থা পাবৰ বাবে চিৰকালেই অন্বেষণ কৰি আহিছো ; জগতৰ সকলো সুখ দুখৰ মাজেদি পাৰ হৈ গৈ, জগতৰ সকলো বেমেজালিৰ মাজেদি পাৰ হৈ গৈ আমি সকলোৱে এনে এটা অৱস্থা ইচ্ছা কৰো যে য'ত গৈ সকলো আকাঙ্খাৰ অবসান হয়। যি অবস্থাত মনৰ সকলো চঞ্চলতা দূৰ হৈ আৰু হৃদয়ৰ বিকাৰ শূন্য হৈ সম্পূর্ণ স্থিৰ ভাব ধাৰণ কৰে আৰু যি মহানন্দ লাভ হলে তাৰ কেতিয়াও পৰিবর্ত্তন নহয় ; যি মহানন্দ লাভ কৰিব পাৰিলে সম্পূর্ণৰূপে অবিচলিত হৈ থাকিব পৰা যায়, সেই অখণ্ড সত্য, সেই চিৰস্থায়ী পূর্ণ-শান্তি পাবলৈ আমি সকলোৱে ইচ্ছা কৰো। কিন্তু কেৱল অন্বেষণ কৰিলেই বা ইচ্ছা কৰিলেই আমি এই শান্তি পাব পাৰোনে, কেবল আনৰ ঠাইত প্রার্থনা কৰিলেই, আনৰ ঠাইত আবেদন কৰিলেই আমি সেই অখণ্ড সত্য সেই চিৰস্থায়ী শান্তি পাব পাৰো ? কেতিয়াও নোৱাৰো। আমি যদি নিজে তাৰ বাবে যত্ন চেষ্টা নকৰো, আমি যদি নিজৰ চিন্তা শক্তি তাৰ বাবে পৰিচালনা নকৰো তেন্তে আমি

DISTRICT LIBRARY
... COLLECTION)

সেই শান্তি পোৱাটো অসম্ভৱ। আন কোনোৱাই সেই সত্য, সেই শান্তি লাভ কৰিলে আমি তাকে চাই কেতিয়াও সন্তুষ্ট হব নোৱাৰো। যি সকলে সেই অৱস্থা লাভ কৰিছে আমাক হয়তো তেওঁলোকে কৰ্ত্তব্য অনুসৰি তাৰ পথটো দেখুৱাই দিব পাৰে। কিন্তু যেনেকৈ তেওঁলোকো তেওঁলোকৰ নিজৰ অভিজ্ঞতাৰ বলত নিজে নিজে আয়ত্ব কৰি লৈছে, নিজে নিজে লাভ কৰিছে তেনেকৈ আমিও আমাৰ নিজৰ যত্ন চেষ্টাৰ দ্বাৰাহে সেই সত্য, সেই শান্তি লাভ কৰি লব পাৰিম।

মানুহে দেহ ৰক্ষাৰ বাবে যিবোৰ কৰ্ম্ম কৰে তাৰেপৰা আৰম্ভ কৰি জীৱনৰ সকলো কাৰ্য্যতে নিজৰ ওপৰত নিৰ্ভৰ কৰি চলিব লাগে। কোনো কাৰ্য্যতেই আনক আশা কৰা উচিত নহয়। যাৰ মন দুৰ্ব্বল, যাৰ নিজৰ ওপৰত বিশ্বাস নাই তেওঁহে পৰক আশা কৰি থাকে; পৰৰ ওপৰত নিৰ্ভৰ কৰি চলে। সকলো শক্তি নিজতে আছে; সাহস কৰিলে সকলো কাৰ্য্যতেই নিজে নিজৰ ওপৰত নিৰ্ভৰ কৰি চলিব পাৰে। এই দৰে জীৱনৰ সকলো অৱস্থাতে সকলো কাৰ্য্য-ক্ষেত্ৰত আত্মনিৰ্ভৰশীল হব পৰা মানুহেই স্বাধীন মানুহ আৰু এই আত্মনিৰ্ভৰশীলতাই স্বাধীনতা।

এই স্বাধীনতা থাকিলেহে মানুহে সত্যৰ অনুসন্ধান কৰিব পাৰে; চিন্তা কৰিব পাৰে; সত্য উপলব্ধি কৰিব পাৰে; শান্তি লাভ কৰিব পাৰে। এতেকে আমি প্ৰত্যেকে স্বাধীন ভাবে চলিব শিকিব লাগিব, আমি প্ৰত্যেকেই জীৱনৰ সকলো

কাৰ্য্যতেই নিজৰ ভৰিত থিয় দিব লাগিব। আমি প্ৰত্যেকেই দাসত্ব ভাব ত্যাগ কৰি আত্মনিৰ্ভৰশীল হব লাগিব। তেনেহলেহে আমি স্বাধীন হব পাৰিম আৰু স্বাধীন হলেহে অনুসন্ধান কৰি সত্য উপলব্ধি কৰিব পাৰিম আৰু শান্তি পাম। এইদৰে দেশত যিমানেই আত্মনিৰ্ভৰশীল মানুহৰ সংখ্যা বেচি হব, যিমানেই স্বাধীন মনৰ মানুহ বেচি হব তিমানেই দেশৰ আচল উন্নতি হব; তিমানেই দেশ স্বাধীনতাৰ পথত আগ বাঢ়ি যাব আৰু স্বাধীন হব। যেতিয়া দেশ এইদৰে স্বাধীন হব তেতিয়া দেশত শান্তি স্থাপন হব। এইদৰে গোটেই দেশত যেতিয়া বিলাসিতাৰ লোভ এৰিব, আনৰ দাসত্ব কৰি দাসৰ ভিতৰতে উচ্চ দাস বা চৰ্দ্দাৰ (good servant) নাম লোৱাৰ হেপাহ এৰিব আত্মনিৰ্ভৰশীল মানুহ বেচি হব তেতিয়া আন কোনেও আমাৰ ওপৰত প্ৰভুত্ব কৰিব নোৱাৰিব। আমাৰ ওপৰত সাম্ৰাজ্যবাদৰ বোজা থাকিলেও আমি আমাৰ নিজৰ আত্ম বলেৰেই নিজে মুক্ত হব পাৰিম আৰু দেশকো এই আত্ম শক্তিৰেই উদ্ধাৰ কৰি স্বাধীন কৰিব পাৰিম। আত্মনিৰ্ভৰতা নাথাকিলে কোনো মানুহে বা কোনো দেশে সম্পূৰ্ণ স্বাধীন হব নোৱাৰে। আনৰ সাম্ৰাজ্যবাদৰ অধীনত নেথাকিলেও য'ত আত্মনিৰ্ভৰতা নাই তাত শান্তি নাই। আত্মনিৰ্ভৰশীল মানুহে নিজে যেনেকৈ নিজৰ ওপৰত ভৰদি সৰ্ব্বদাই চলে সেইদৰে আনকো উপদেশ দিয়ে আৰু সহায় কৰে। তেওঁ কাৰো ওপৰত প্ৰভুত্ব কৰিব নোখোজে

কাৰণ আনৰ ওপৰত প্ৰভুত্ব কৰিব খোজা মানে আনৰ পৰা কিবা পাব খোজা ; আনৰ ওপৰত নিৰ্ভৰ কৰা মানে আনক আশা কৰাহে হয়। এইদৰে যি দেশৰ মানুহ আত্মনিৰ্ভৰশীল সেই দেশৰ মানুহ সম্পূৰ্ণ স্বাধীন আৰু শান্তিপূৰ্ণ। সেই দেশৰ মানুহে আন কোনো দেশক পৰাধীন কৰি প্ৰভুত্ব কৰিবলৈ ইচ্ছা নকৰে তেওঁলোকে জগতৰ স্বাধীনতা কামনা কৰে, জগতৰে শান্তি কামনা কৰে। এই আত্মনিৰ্ভৰশীল দেশেই প্ৰকৃততে স্বাধীন আৰু এয়েই দেশৰ স্বাধীনতা।

এই পবিত্ৰ আত্মনিৰ্ভৰশীলতাই আমাৰ হৃদয়ত স্বাধীনতাৰ প্ৰেৰণা সঞ্চিত কৰে। এই সঞ্চিত প্ৰেৰণাই আমাক সম্পূৰ্ণ স্বাধীন আৰু নিৰৱচ্ছিন্ন আনন্দ, শান্তি বা সত্য উপলব্ধি কৰায়।

প্ৰেৰণা

মানুহ স্বভাৱতে স্বাধীনতা প্ৰিয়। প্ৰকৃততে কোনো মানুহেই পৰাধীন হৈ থাকি ভাল নাপায়। সকলো মানুহেই স্বাধীনতা পাবলৈ ইচ্ছা কৰে। সকলো মানুহে শান্তি কামনা কৰে। যদিও আত্মবিস্মৃতি, জ্ঞানৰ অভাবত, দুৰ্ব্বলতাৰ কাৰণে মানুহ পৰাধীন হৈ থাকে, তথাপি সময়ে সময়ে প্ৰত্যেক মানুহৰে মনত স্বাধীনতাৰ প্ৰেৰণা আহি থাকে আৰু দেশত যেতিয়া আত্ম-নিৰ্ভৰশীল, স্বাধীন আৰু মহৎ দেশ-প্ৰেমিক লোকসকলৰ চিন্তাৰ আবেগ কাৰ্য্যৰ প্ৰেৰণাই জনসাধাৰণক জগাই দিয়ে, তেতিয়া দেশৰ প্ৰায় মানুহেই স্বাধীনতাৰ কাৰণে উত্তেজিত হৈ উঠে।

এইদৰে দেশত যেতিয়া স্বাধীনতাৰ প্ৰেৰণা আহে, যেতিয়া স্বাধীনতাৰ বাণী প্ৰচাৰ হয়, তেতিয়া যিবিলাক মানুহৰ স্বাধীনতাৰ প্ৰকৃত জ্ঞান নাই, আত্ম-নিৰ্ভৰশীলতা ভাব নাই, তেওঁলোকৰ ভিতৰত প্ৰথমতে নিজৰ ব্যক্তিগত স্বাৰ্থ ভোগ আৰু বিলা-সিতাক আশা কৰিয়ে উত্তেজিত হৈ স্বাধীনতাৰ কামত লাগে। প্ৰথমতে তেওঁলোকে ভাবে যে দেশ স্বাধীন হলে আমিও কিছুমানৰ ওপৰত প্ৰভুত্ব কৰিব পাৰিম। দেশত যিবোৰ বিদেশীয়ে প্ৰভুত্ব কৰিছে, তাহাঁতক গুচাই আমিয়েই কিছু আগ বাঢ়ি গৈ প্ৰভু হব পাৰিম বুলি ভাবি প্ৰথমে এই শ্ৰেণীৰ

মানুহে কাৰ্য্যত সহানুভূতি দেখুৱায়। তেওঁলোকৰ মতে তেতিয়াও দেশৰ সৰ্ব্ব-সাধাৰণ দাসত্বৰ শৃঙ্খলেৰে আবদ্ধ থাকিবই লাগিব। আৰু এওঁলোকৰ এই প্ৰভুত্ববাদৰ স্বাধীনতা সেই মহাপ্ৰাণ দেশপ্ৰেমিক সকলেই অতি সোনকালে আনি দিব বুলি ধৰি লয়। সকলোৰে মুখেৰে স্বাধীনতা লাগে বুলি কোৱাতো যদি দেশ স্বাধীন নহয়, তেনেহলে সেইটো সেই মহাপ্ৰাণ দেশপ্ৰেমিক সকলৰে দোষ বুলি এই শ্ৰেণীৰ মানুহে প্ৰচাৰ কৰে। কিছুদিনৰ পাচত গৈ এই ক্ষন্তেকীয়া স্বাধীনতাকামী মানুহে দেশৰ অবস্থা যি হ'ক তাৰ ফালে পিঠিদি নিজৰ ভোগ-বিলাস-পূৰ্ণ দাসত্ব ক'ত পায়, তাকেহে বিচাৰি ফুৰে। তাকে পালেই জীৱন সাৰ্থক যেন বিবেচনা কৰে।

এই শ্ৰেণীৰ মানুহে ধন গোটাবৰ বাবেই হ'ক বা অইন নানা উপায়েৰে সমাজৰ ওপৰত নেতা হৈ প্ৰভুত্ব কৰি স্বাৰ্থ-সিদ্ধি কৰিবলৈ সমাজৰ নানা দলাদলি আৰু হাই-কাজিয়াৰ সৃষ্টি কৰে। এইদৰেই পৃথিবীত সৰ্ব্ব-সাধাৰণৰ ৰক্ত-মাংস শোষণ কৰী এদল প্ৰভুত্ববাদী বা সাম্ৰাজ্যবাদীৰ উদ্ভৱ হৈ জগতত অশান্তিৰ সৃষ্টি কৰিছে। তেওঁলোকে ইটোৱেসিটোৰ লগত, ইদলেসিদলৰ লগত কাজিয়া কৰি তেওঁলোকৰ ভিতৰত কোনে মুখ্যপ্ৰভু হয়, তাকে লক্ষ্য কৰি সৰ্ব্বসাধাৰণক জোৰ কৰি নি পশুৰ নিচিনা বলি দি কাটি-মাৰি ধ্বংস কৰে। নিজৰ দেশত হেপাহ নপলায় যেন ভাবি কিছুমানে আৰু সিহঁতৰ ভিতৰত লগ হৈ আন কোনো দুৰ্ব্বল বা শান্ত দেশৰ ওপৰত অত্যাচাৰ আৰম্ভ কৰে

আৰু তাতে নি নিষ্ঠুৰ ভাবে নিজৰ দেশৰো আৰু সেই দেশৰো সেই সৰল-প্ৰাণ সৰ্ব্বসাধাৰণকেই বলি বিধান কৰে। নিজ দেশৰ ভিতৰতে আৰু কিছুমান এই শ্ৰেণী মানুহৰ কাজিয়া লাগি যেতিয়া এদলে আন এদলৰ লগত যুজি নিজৰ প্ৰভুত্ব ৰাখিব নোৱাৰা যেন হব, তেতিয়া হয়তো কোনো বিদেশী সাম্ৰাজ্য-বাদীৰ সাহার্য্য লয়। তেওঁলোকে আহি নিজৰ দেশৰ প্ৰভু হলেও তাতে কিবা ব্যক্তিগত সুবিধাৰ আশা কৰি দেশত বিদেশীৰ সাম্ৰাজ্যবাদৰ সুবিধা কৰি দিয়ে। এনেকৈ অৱশেষত দেশৰ সৰ্ব্ব-সাধাৰণৰ ৰক্তমাংস বিদেশীৰ দ্বাৰা শোষণ কৰি দেশৰ সৰ্ব্বনাশ কৰে। এইদৰেই বিদেশী সাম্ৰাজ্যবাদীৰ প্ৰভুত্ব ভাৰতবৰ্ষতো সোমাই আজি ভাৰতবৰ্ষৰ সৰ্ব্বসাধাৰণৰ এই দুৰৱস্থা কৰিছে। এতিয়া যদিও ভাৰতৰ স্বাধীনতাকামী দেশপ্ৰাণ লোকসকলে স্বাধীনতাৰ বাবে নানা উপায় কৰিছে, নানা আন্দোলন কৰি স্বাধীনতা সংগ্ৰাম চলাইছে তথাপি ভাৰতৰ এই এনেকুৱা এদল মানুহেই বিদেশীৰ সাম্ৰাজ্যবাদীৰ সহায় হৈ দেশৰ এই স্বাধীনতাৰ পথত বাধা দি আছিছে। এওঁলোকৰ সহায়তে বিদেশী সাম্ৰাজ্য-বাদীসকলে আজিও ভাৰতৰ সৰ্ব্বসাধাৰণৰ ৰক্ত-মাংস শোষণ কৰিবলৈ সুবিধা পাইছে। তেওঁলোকে নিজৰ উচ্চ দাসত্বৰ আশা কৰি দেশত নানা দলাদলি লগাই হলেও নানা চেষ্টা কৰিও সৰল প্ৰাণ সৰ্ব্বসাধাৰণৰ ফালে চকু মুদিছে। তেওঁলোকে এইটো নেভাবে যে, যি সকল লোক দাসত্বৰ শৃঙ্খলেৰে আবদ্ধ, তেওঁলোকে যিমান কি প্ৰভুভক্ত নহওঁক, যিমান কি উচ্চ ধৰণৰ

দাস নহওঁক, তথাপি সাম্ৰাজ্যবাদী প্ৰভুৱে দাস স্বৰূপেহে ব্যৱহাৰ কৰে আৰু তেওঁলোক দাস নামেহে অভিহিত।

কিন্তু যিসকলৰ শৰীৰত স্বাধীনতাৰ তেজ আছে, যাৰ মন স্বাধীন, তেওঁলোকে কেতিয়াও এনেকুৱা নহয়। তেওঁলোকে কেতিয়াও বিদেশী সাম্ৰাজ্যবাদী প্ৰভুৰ উচ্চ দাস হৈ আনৰ অনুগ্ৰহ আশা নকৰে নাইবা দেশৰ এই সৰ্ব্বনাশী এই সাম্ৰাজ্যবাদীৰ প্ৰভুভক্তসকলৰ কথাত ভোল গৈ নিজৰ স্বাধীনতা পৰৰ ঠাইত কামনা নকৰে। যিসকল অভিজ্ঞ লোক, যিসকলৰ ধাৰণা শক্তি আছে আৰু আত্ম-নিৰ্ভৰশীলতা ভাব আছে, তেওঁলোকে নিজৰ প্ৰভুত্বৰ আশাত কেতিয়াও দেশৰ স্বাধীনতা কামনা নকৰে। যি স্বাধীনতা পালে দেশৰ প্ৰত্যেকেই স্বাধীন হব পাৰে, যি স্বাধীনতাত প্ৰত্যেক মানুহৰেই সমান ক্ষমতা লাভ হয়, সেয়েই দেশৰ প্ৰকৃত স্বাধীনতা (socialism)। সেই কাৰণে যিসকল আত্ম-নিৰ্ভৰশীল, দেশপ্ৰেমিক, তেওঁলোকে নিজে যেনে আত্ম-নিৰ্ভৰ কৰি চলে, তেনেকৈ যাতে দেশৰ প্ৰত্যেক মানুহেই আত্ম-নিৰ্ভৰশীল হয়, তাৰ বাবে তেওঁলোকে সৰ্ব্বদাই চেষ্টা কৰে। যেনেকৈ বিদেশীসকলৰ প্ৰভুত্ব দেশৰপৰা গুচাবলৈ ইচ্ছা কৰে তেনেকৈ স্বদেশী প্ৰভুত্ববাদী সকলৰো প্ৰভুত্ব গুচে সেয়েই তেওঁলোকৰ উদ্দেশ্য। আৰু তেওঁলোকে জানে যে আমি যদি দেশৰ প্ৰত্যেক মানুহেই নিজৰ ভৰিত থিয় দিব নিশিকো তেনেহলে দেশ কেতিয়াও স্বাধীন হব নোৱাৰে। সকলোৱে আত্মনিৰ্ভৰ নকৰিলে, সকলোৱে চেষ্টা নকৰিলে দেশৰ কেতিয়াও স্বাধীনতা

লাভ নহয়। নির্দ্দিষ্ট কেইজনমান লোকে আমাক স্বাধীনতা আনি দিব বুলি আশা কৰি থাকিলে কোনোদিনেই দেশে স্বাধীনতা নেপায়। সকলোৰে আত্মনির্ভৰতাতহে, সকলোৰে চেষ্টাতহে দেশ স্বাধীন হব পাৰে। দেশৰ মহৎ লোকসকলৰ ভাবৰ লগত প্রত্যেকেই নিজৰ ভাব মিলাই লৈ তেওঁলোকৰ প্রেৰণা হৃদয়ত জগাই লৈ সেই মতে কাম কৰিলেহে দেশ স্বাধীন হব আৰু শান্তি স্থাপন হব। এই স্বাধীনতা লাভ কৰিব লাগিলে মানুহ প্রথমতে সংযমী হব লাগিব। সংযমী হলেহে মহৎলোক সকলৰ প্রেৰণাত অনুপ্রাণিত হৈ এই স্বাধীনতাৰ বাবে স্থিৰ হৈ প্রাণপনে যুজিব পৰা যায়। প্রথমতে ইন্দ্রিয়-বোৰক সকলো উত্তেজনাৰপৰা আঁতৰাই ৰাখিব লাগিব সকলো ইন্দ্রিয়ৰে যি প্রধান চালক মন এই মনক ভালদৰে সংযত ৰাখিব লাগিব। মনৰ চঞ্চল অবস্থা গুচি যাতে স্থিৰ ভাব ধাৰণ কৰে তাক সর্ব্বদাই যত্ন কৰিব লাগিব। ই যেন এই স্বাধীনতাৰ কাৰণে নির্ব্বিবাদে সকলো অপমানৰ বোজা মূৰপাতি সহিব পাৰে, সকলো দুখ কষ্ট বৰণ কৰিব আৰু সকলো ব্যক্তিগত সংসাৰিক স্বার্থ ত্যাগ কৰিব পাৰে তাৰ কাৰণে মনক তৈয়াৰ কৰি ৰাখিব লাগিব। মনৰ এটা স্বভাব আছে যে সি কেতিয়াও বিনা কাজে বা বিনা চিন্তাই বহি থাকিব নোৱাৰে। যদি সেয়েই হয় তেন্তে মনে তাৰ যি স্বাভাবিক গতিৰ দ্বাৰা বেয়াৰ ফালে, দুর্ব্বলতাৰ ফালে যাব খোজে তাক তাৰ পৰা আঁতৰাই সৎ চিন্তাৰ ফালে বাধ্য কৰি আনিব

লাগিব। মনৰ এনে গতি হব লাগিব যে মান অপমানৰ প্ৰশ্ন আগত পৰিলেই যেন তৎক্ষনাৎ এই দৰে কৈ দিব পাৰে যে এনেকুৱা মানৰ মোৰ আৱশ্যক নাই যি মান এই দৰিদ্ৰ দিন মজুৰি খাটি পেট পালন কৰিব নোৱাৰা ভাইসকল আৰু ৰাজৰাজেশ্বৰ আদি কৰি সকলোৱে সমানে পাব নোৱাৰে। যি যশস্যাত সকলোৰে অধিকাৰ নাই, যি যশস্যা লাভ কৰাৰ ফলত মই সৰ্ব্বসাধাৰণৰ মনত সন্তোষ দিব নোৱাৰো, ৰাইজক সেৱা কৰিবলৈ উপযুক্ত হোৱাৰ ঠাইত নিজে ডাঙৰ মানুহ হোৱা বুলি ভাবি সেৱা কৰিবলৈ উপযুক্ত হোৱাৰ পৰিবৰ্ত্তে ৰাইজৰপৰা দূৰৈতহে থাকিব লাগে তেনে যশস্যা মোক নালাগে। যি সুখে সকলো অৱস্থাৰ মানুহকে সুখী কৰিবলৈ নোৱাৰে, যি সুখ [illegible] মানকো সুখী কৰিব না [illegible] ভোগ [illegible] পৰা নহয় [illegible] পক্ষপাতী নহওঁ। যি স্বাৰ্থই এই সকলোকে সন্তোষ দিব নোৱাৰে, তেনে স্বাৰ্থই মোক সন্তোষ দিব নোৱাৰে। কাৰণ প্ৰকৃত স্বাধীনতা লাভ কৰিব লাগিলে মানুহ সাম্যবাদী হব লাগিব, উত্তেজনাহীন হব লাগিব আৰু অশান্তি নোহোৱা হব লাগিব। যি পৰ্য্যন্ত মানুহে কেৱল নিজৰ ব্যক্তিগত মান, যশ, সুখ আদি স্বাৰ্থতেই মতলীয়া হৈ থাকে সেই পৰ্য্যন্ত মানুহৰ উত্তেজনা আৰু অশান্তিৰ প্ৰকোপৰপৰা মুক্ত হবৰ সাধ্য নাই। গতিকে যেতিয়া মানুহৰ উত্তেজনা অৰ্থাৎ চঞ্চল অৱস্থা গুচি শান্ত হয়, তেতিয়াহে স্থায়ী স্বাধীনতা মানুহে লাভ

কৰিব পাৰে। স্বাধীনতা লাভ কৰিবলৈ হলে আমি আমাৰ পৰাধীনতা শিকলৰ বান্ধ গুচাবলৈ যুদ্ধ নকৰিলে ই কেতিয়াও আপোনা আপুনি নুগুচিব আৰু এই যুদ্ধ বাহিৰে ভিতৰে ভালদৰে চলাব লাগিব। বাহিৰৰ যুদ্ধতকৈও আমাৰ দেহৰাজ্যৰ ভিতৰতহে ভালদৰে যুঁজিব লাগিব। আমাৰ ভিতৰত ইন্দ্রিয় বোৰৰ যি অসৎবৃত্তি আছে, সৎবৃত্তিৰ সহায়ত এই অসৎ বৃত্তি-বোৰ যাতে সমুলি বিনাশ হয় তাৰ কাৰণে অবিৰাম যুদ্ধৰ একান্ত আৱশ্যক। নহলে আমি এই মান-অপমান, ভয়-লজ্জা, সুখ-দুখ, আপোন-পৰ ভাব ইত্যাদি সকলোকে সহ্য কৰিবপৰা যি সাম্য ভাব তাক লাভ কৰিব নোৱাৰিম। নিজৰ মন যদি এই অসৎ বৃত্তিবোৰৰ লগত আবদ্ধ হৈ থাকে তেনেহলে আমি কোনো ৰকমৰ স্থায়ী ভাবৰ স্বাধীনতা বিষয় চিন্তা কৰিবলৈ উপযুক্ত হবৰ ক্ষমতা পাব নোৱাৰো। এই স্বাধীনতা পাব লাগিলে মানুহৰ আত্মজ্ঞানৰ দৰকাৰ। আত্মজ্ঞান লাভ হলেহে স্থায়ী স্বাধীনতা মানুহে পাব পাৰে। আত্মজ্ঞান সম্পূর্ণৰূপে উপলব্ধি হলে তেতিয়া প্রকৃত স্বাধীনতা কি তাক বুজি পাব পাৰে আৰু এই স্বাধীনতা এবাৰ লাভ কৰিলে কেতিয়াও হেৰুৱাব নোৱাৰে। এই আত্মজ্ঞান নেথাকিলে মানুহ আত্মনির্ভৰশীল হব নোৱাৰে আৰু আত্মনির্ভৰশীল নহলে স্বাধীনতা লাভ কৰিব পৰা নাযায়। আত্মজ্ঞান নথাকিলে আন উপায়ে পোৱা স্বাধীনতা কেতিয়াও স্থায়ী নহয়। ইয়াৰ কাৰণ হৈছে স্বাধীনতা প্রকৃততে নিজৰ পৰা লাভ কৰিব লাগে। যি বস্তু নিজতেই বর্ত্তমান, আনৰ

পৰা খুজি বা অত্যাচাৰ কৰি লব নালাগে তেনেকৈ তাক আনেও খুজি নিব বা অত্যাচাৰ কৰি নিব নোৱাৰে। প্ৰকৃততে মানুহে নিজে কি, বা কোন আৰু তাৰ প্ৰধান কৰ্ত্তব্য কি, ভালকৈ এইখিনি কথা জানি তাকে নিজে পালন কৰিলেহে তেওঁ সেই উৎপাত বিহীন অৱস্থা বা সেই অখণ্ড শান্তি লাভ কৰিব পাৰিব আৰু স্বাধীনতা লাভ কৰিব পাৰিব । এনেদৰে যি প্ৰেৰণাৰ ফলত স্বাধীনতা লাভ হয় এই স্বাধীনতাইহে সকলোকে সমান ভাবে সুখ শান্তি দিব পাৰে।

দেহাত্ম-বোধ

স্বাধীনতা লাভ কৰিবলৈ হলে আগতে মানুহ প্ৰকৃত আত্মজ্ঞানী হব লাগে। কাৰণ প্ৰকৃত আত্মজ্ঞান উপলব্ধি হলেহে স্বাধীনতা কি তাক মানুহে বুজি পায়। কিন্তু এই আত্মজ্ঞান বিচাৰ কৰিবলৈ গলে মানুহৰ কেইবাটাও অৱস্থাৰ বিষয় আলোচনা কৰিব লাগে। প্ৰথম অৱস্থাত নিজক যেতিয়ালৈকে এই পঞ্চভৌতিক দেহৰ বাহিৰে আন কোনো উচ্চ অৱস্থাত দেখিব, ভাবিব বা অনুভৱ কৰিব নোৱাৰে তেতিয়ালৈকে মানুহৰ এই দেহতেই আত্মবোধ হয়। দেহাত্মবোধ অৱস্থাত মানুহে এই দেহটোৰ ক্ষণস্থায়ী সুখকেই নিজৰ সুখ আৰু ইয়াৰ ক্ষণস্থায়ী দুখকেই দুখ বুলি ভাবে। সাংসাৰিক ব্যক্তিগত সামান্য মান অপমানৰ ঢৌতেই তৎক্ষনাৎ বিচলিত হৈ পাৰে। এনে অৱস্থাত মানুহে যি স্বাধীনতা লাভৰ ইচ্ছা কৰে সি মাথোন এই দেহৰ ব্যক্তিগত সুখভোগ পাব পৰা, নিজৰ মান যশস্যা আদি যিহৰ পৰা লাভ হব পাৰে ই তেনেকুৱা স্বাধীনতাহে। কাৰণ এই অৱস্থাত মানুহে দেহতেই তেওঁৰ নিজৰ আদি আৰু অন্ত বুলি বিশ্বাস কৰি থাকে। সেই কাৰণে কোনো ৰকমৰ উখ ভাবৰ চিন্তা কৰিব যাবলৈকে সমৰ্থ নহয়। এই অৱস্থাত মানুহে দেহটো বিনাশ হলেই নিজৰ সমূলে বিনাশ হব বুলি ভাবি সৰ্ব্বদায় ভয়ত অস্থিৰ হৈ থাকে।

এনে মানুহৰ দূৰদৰ্শিতা ভাবক কোনোমতেই স্থান দিবলৈ শক্তি নাই। কৰবাত সুখ পাম পাম বুলি সদায় বিচাৰি ফুৰে আৰু দুখ পাবৰ ভয়ত পিচলৈ এবো চিন্তা কৰিব নোৱাৰি সত্যৰ বিৰুদ্ধে নানান অসত্য কাৰ্য্যত ৰতহৈ পৰে। হিংসাৰ কাৰ্য্যত লিপ্ত হৈ বহুত প্ৰাণীক কষ্ট দিয়ে আৰু বহুতক নিৰ্দ্দয় ভাৱত বধ কৰাটোও এটা আনন্দৰ কথা যেন বিবেচনা কৰি এইটোও নিজৰ কৰ্ত্তব্য কৰি লয়।

। ইন্দ্ৰিয়ৰ উত্তেজনাক সংযম কৰিব নোৱাৰি আৰু সেইটোকে নিজৰ কৰ্ত্তব্য বুলি ভাবি নানান পাপ কাৰ্য্যত পৰিলিপ্ত হয়। অসৎ সঙ্গত মিলি যাই সকলোৰকমৰ উচ্চ ভাব ধাৰণ বা পোষণ কৰিব নোৱাৰি নিজৰ প্ৰধান কৰ্ত্তব্য পাহৰি যায়। চাৰিওফালে কেৱল ক্ষণস্থায়ী সংসাৰিক স্বাৰ্থতেই ভৰপূৰ যেন বিবেচনা কৰি সৰ্ব্বদাই স্বাৰ্থান্ধহৈ চলে। এনেকুৱা অৱস্থাৰ মানুহে অনেক সৰ্ব্বব্যাপি সমদৰ্শী সকলোৰে যি জীৱনী শক্তি আৰু মূল স্বৰূপ পৰম ঈশ্বৰ তেওঁকে স্বাৰ্থপৰ ভাবি নিজৰ স্বাৰ্থ পূৰণৰ বাবেহে তেওঁৰো আৰাধনা কৰে। আৰু সেইবাবে নিজৰ মনৰত সীমাবদ্ধহৈ থকা সংসাৰিক সামান্য বস্তুৰ প্ৰলোভন দেখুৱাই তেওঁৰ লগত বন্দবস্ত কৰিব খোজে বা তাকেই কেতিয়াবা মন্দিৰ আদিত নি ঈশ্বৰৰ নামত ভোগ দি আহে। তাকেই বা আন কিছুমান ঠিক এনে দেহাত্মবোধযুক্ত ভাবৰ মানুহে ঈশ্বৰৰ নামে বেপাৰ আৰম্ভ কৰে আৰু সেই বস্তুবোৰ নি খায়। এইদৰে নানা বুদ্ধি সাজি মহাপুৰুষ সকলৰ গাত মিছা কলঙ্ক দি

তেওঁলোকে নিজে লিখিয়েই বুলি ফাকি দিয়ে নাইবা ঈশ্বৰেই বহুত স্বাৰ্থপৰতাৰ ইতিহাস পাঠ কৰে আৰু সেইবোৰ ঈশ্বৰে কোৱা কথা বুলি মিছা কথাকৈ নিজৰ স্বাৰ্থৰ ভিতকুৱা কৰে। স্বাৰ্থপূৰণৰ আশাত আনকি ঈশ্বৰৰ নামে মহাপাপ প্ৰাণীহত্যা আদি কাম বোৰো আনন্দ চিত্তে কৰে। তেওঁলোকে এইখিনিত ভাবিব নোৱাৰে যে যি সকলোৰে পিতা সমদৰ্শী পৰমেশ্বৰ তেওঁ তেওঁৰ নিজৰ কিছুমান সন্তানক নি তেওঁৰ ওচৰত হত্যা কৰিলে সন্তুষ্ট হব থাকক তেওঁ আমাৰ ওপৰত খংহে কৰিব। এইদৰে দেহাত্তি মানা অৱস্থাত মানুহে নানান স্বাৰ্থত জৰিতহৈ পৰে আৰু জগতকে তেনে অৱস্থাতহে দৰ্শন কৰে। এনে অৱস্থাত মানুহে স্বাধীনতা লাভ কৰা দূৰৰ কথা তাক ভালদৰে বুজিবলৈকো অসমৰ্থ। তেওঁলোকৰ যিহত ব্যক্তিগত স্বাৰ্থপূৰণ হয় তাকেই তেওঁলোকে স্বাধীনতা বুলি ধৰি লয়। এই দেহাত্মবোধ যুক্ত মানুহ স্বাধীন ৰাজ্যত বাস কৰিলেও তেওঁ সমুলি পৰাধীন। কিন্তু আচল মানুহ সৰ্ব্বদায় স্বাধীন। বুজিপালে ইয়াক কোনোৱে পৰাধীন কৰি ৰাখিব নোৱাৰে। গতিকে এই দেহাত্মবোধ অৱস্থা অতিক্ৰম কৰি প্ৰকৃত আত্মজ্ঞান লাভ কৰিব লাগিব। তেনেহলেহে মানুহে প্ৰাণপনে স্বাধীনতাৰ বাবে যুজিব পাৰিব আৰু স্বাধীনতা পাব।

———

মনত আত্ম-বোধ

দেহাত্মবোধ অবস্থাৰ পৰা ক্ৰমোন্নতি কৰি মানুহে যেতিয়া কিছুদূৰ অগ্ৰসৰ হয় তাৰ পাচত আৰু এটা ভ্ৰান্তিযুক্ত অবস্থাত আহি পৰে। এই অবস্থাত মানুহে মনকেই আত্মবোধ কৰে। গতিকে ইয়াক মানসিক অৱস্থা বা মন আত্মবোধ বুলিকব পাৰি। মন-আত্মবোধ অবস্থাৰ মানুহে নিজক এই মন বুলিয়ে ভাবি ইয়াৰ লগতে ইয়াৰ ইচ্ছামতে ঘূৰি ফুৰে আৰু মনতেই নিজৰ আদি আৰু অন্ত বুলি বিবেচনা কৰি সৰ্ব্বদায় ব্যাকুল ভাবে নানান অনিত্য কাৰ্য্যত পৰিলিপ্তহৈ বহুত কষ্ট ভোগ কৰে। মন স্বভাবতে চঞ্চল, ই কেতিয়াও নিজে কোনো কাৰ্য্যতেই স্থিৰহৈ কিছু সময় থাকিব নোৱাৰে। এই অবস্থাত মানুহে যি কোনো বিষয়তে গভিৰ ভাবে চিন্তা কৰিবলৈ টান পায়। যদি কোনো এটা মহৎ লোকৰ কথা শুনে তেতিয়া তাকেই ভাবিব ধৰে। আৰু সেই সময়ত তাতেই মগ্নহৈ থিক্ তেনেকুৱা হৈয়ে যাবলৈকে ইচ্ছা কৰে। সেই মুহূৰ্ত্তৰ পাচখিনিতেই যদি আৰু আন কোনো এটা অসৎলোকৰ কথা শুনে তেতিয়া আগৰ কথাটো তৎক্ষণাৎ পাহৰি যায় আৰু এই নতুনটোৰ বিষয় চিন্তা কৰিব ধৰে। সেই সময়ত ঠিক সেই অসৎ মানুহটোৰেই প্ৰকৃতি লৈ তেনেকুৱাই হৈ পৰে। এই দৰে মনে ৰজাদেখিলে ৰজা, দস্যু দেখিলে দস্যু আৰু সাধু

দেখিলে সাধু হৈ পাৰে। কিন্তু এনেকোৱাতেই সি বেচি সময় থাকিব নোৱাৰে। যেতিয়াকৈলৈকে আন এটা বিষয় দৃষ্টি গোচৰ নহয় তেতিয়ালৈকেহে সি কিবা এটা ভাবত কিছু সময় থাকিব পাৰে যেতিয়াই দেখিলে তেতিয়াই ধৰে আৰু তাৰ পিচতেই এৰি দিয়ে। অৰ্থাৎ এনেকুৱা অৱস্থাত মানুহে কিবা এটা কাৰ্য্যত অলপ টান পালেই তৎক্ষণাৎ তাক এৰি পেলায়। তেতিয়া কি স্বাধীনতা কি আন বিষয় যি কোনো বিষয়তেই হওক মানুহ স্থিৰ হৈ থাকিব নোৱাৰে। ইয়াৰ আচল কথা হৈছে আমাৰ মন নিজেই স্বাধীন নহয়। ইয়াৰ স্বাধীন ভাবে চলিবৰ নিজৰ ক্ষমতা নাই। আচল মানুহ কিন্তু সৰ্ব্বদায় স্বাধীন। বুজি পালে তাক কোনেও পৰাধীন কৰি ৰাখিব নোৱাৰে।

এতিয়া দেখা গল যে মানুহে যিহক "মই" বুলি ভাবে কেৱল এই যি পঞ্চভূতৰ সমষ্টি দেহ বা এই যি চঞ্চল আৰু কল্পনা যুক্ত মন এই মানেই নহয়। এই সকলৰ বিনাশ আছে, পৰিবৰ্ত্তন আছে। আচল মানুহ এই সকলৰ পৰা আঁতৰ। এই যি মানুহৰ "মই" অৰ্থাৎ যিহক মানুহে মই" বুলি ভাবে সেইটো অলপ গমি চালেই তেওঁ বুজি পায় যে এই "মই" দেহ আৰু মনতকৈ বেলেগ বস্তু, ই সকলোতকৈ স্থায়ী আৰু উচ্চতম বস্তু। তাৰ প্ৰমান স্বৰূপে মানুহে সকলো অৱস্থাতে কয় যে এইটো মোৰ দেহ বা এইটো তেওঁৰ দেহ। মনৰ এনে অৱস্থাতো মানুহে ঠিক সেই একে কথাকে কয়। যেনে মোৰ মনত আনন্দ বা দুখ লাগিছে, চঞ্চল বা ভাল লাগিছে,

ইত্যাদি। কিন্তু এইটো সকলোৱে জানে যে যদি কোনো এটা বস্তুক মোৰ বুলি কোৱা যায় তেন্তে ইয়াৰ এটা "মই" আছে কাৰণ "মই" আৰু "মোৰ" কেতিয়াও এটা বস্তু নহয়। মোৰ বুলিলে বিশেষকৈ এইটোকে বুজায় যে যিহক মোৰ বুলিছে তেওঁ নিজে সেই বস্তুটোৰ মালিক আৰু তেওঁ সেই বস্তুটোতকৈ সম্পূৰ্ণ বেলেগ। তেন্তে এতিয়া এই দেহ আৰু মনৰ বাহিৰে যি "মই" সেইটোৱেই হৈছে আচল মানুহ। আচল মানুহ সেই পবিত্ৰ আত্মা। যেতিয়া এইটো ঠিক মতে উপলব্ধি কৰিব পাৰে তেতিয়াহে মানুহৰ আত্মজ্ঞান লাভ হয়। যেতিয়া এই আত্মজ্ঞান লাভ হয় তেতিয়া তেওঁ জানে যে যি এই পবিত্ৰ আত্মা সেইটোৱেই হৈছে প্ৰকৃত "মই" বা মানুহৰ আৰু সকলোৰে জীৱনী শক্তি যাৰ কেতিয়াও বিনাশ নহয়, যি কেতিয়াও কাৰো পৰা ভয় নেপায় যাৰ ভেদাভেদ নাই, যি সৰ্ব্বদাই সকলোকে সমান দেখে, যাক সিহঁতৰ ইচ্ছামতে যেই সেই অবস্থালৈকে টানি লৈ ফুৰিব নোৱাৰে ৰিপুবোৰকহে ইচ্ছামতে চলাব পাৰে। আনকি যি মনে সকলো ৰিপুবোৰকে তাৰ ইচ্ছামতে যেই সেই অবস্থালৈ টানি লৈ ফুৰিব পাৰে। এই মনেও যাক ইচ্ছামতে লৈ ফুৰিব নোৱাৰে বা বিচলিত কৰিব নোৱাৰে, মনকহে চলাই ফুৰিবৰ যাৰ সম্পূৰ্ণ ক্ষমতা আছে সেয়েই হৈছে আচল মানুহ বা সেই পবিত্ৰ আত্মা। সেইটোৱেই হৈছে মানুহৰ জীৱনী শক্তি বা প্ৰকৃত "মই"। যোনে এই সকলোৰো বাহিৰে

স্থিৰ হৈ থাকে যাৰ জৰা নাই, মৃত্যু নাই, শোক নাই মোহ নাই, সেই চিৰস্থায়ী পবিত্ৰ আত্মা "মই"। "মই" সেই সত্যৰ প্ৰতিমূৰ্ত্তি। "মই" চিৰকালেই স্বাধীন হৈ থাকে কাৰো ওচৰত কেতিয়াও পৰাধীন নহয়। ই জগতৰ সকলোৰে স্বাধীনতাৰ পক্ষপাতী আৰু প্ৰতিমূৰ্ত্তি। ই সত্য আৰু শান্তিপূৰ্ণ ভাবে স্বাধীন। এইদৰে যেতিয়া মনত আত্মবোধ ভাবৰ পৰা গৈ প্ৰকৃত আত্মজ্ঞান মানুহৰ লাভ হয় তেতিয়া আৰু বিচলিত নোহোৱাকৈ প্ৰাণপনে স্বাধীনতাৰ বাবে যুঁজি স্বাধীনতা লাভ কৰিব পাৰে।

—প্ৰকৃত-আত্মজ্ঞান—

মানুহৰ যেতিয়া প্ৰকৃত আত্মজ্ঞান লাভ হয় অৰ্থাৎ মানুহৰ যেতিয়া নিজৰ ওপৰত বিশ্বাস হয়, তেতিয়া মানুহে নিজক বুজি পায় যে তেওঁ প্ৰকৃততে সেই পবিত্ৰ অখণ্ড আত্মাহে, তেওঁ এই পাঞ্চভৌতিক দেহ নহয়, তেওঁৰ এই দেহৰ লগত বিনাশো নহয় আৰু সেইদৰে তেওঁ মাত্ৰ মনেই নহয়। তেওঁ এই মনৰ লগতেই বিনাশ নহয়, যেতিয়া এই জ্ঞান পৰিপক্ক হয় তেতিয়া মানুহে সকলো ৰকমৰ উচ্চ চিন্তাকে কৰিবলৈ অধিকাৰী হয়। এই অৱস্থাত মানুহে দুখ-সুখ, মান-অপমান, ভয়-লজ্জা, শোক-মোহ, লাভ-ক্ষতি আদিৰ বেগবিলাক সহজে সহ্য কৰিব পৰা হয়। তেতিয়া কাম, ক্ৰোধ, লোভ, মোহ, অহঙ্কাৰ আদিয়ে তেওঁক বিচলিত কৰিব নোৱাৰে। কাৰণ তেতিয়া তেওঁ বুজি পায় যে এই যি সাংসাৰিক মান-অপমান, সুখ-দুখ, শোক-মোহ আদিৰ বেগ বিলাক আছে, ইয়াৰ কোনো-টোৱেই স্থায়ী নহয়।

এইবোৰৰ সৰ্ব্বদাই পৰিবৰ্ত্তন হৈ থাকে। এতিয়া যদি কিবা এটা বিষয়ত মনত সুখ লাগিছে, সেই বিষয়টো কিছু সময় পিচত হয়তো কিবা কাৰণবশতঃ বিকাৰ যুক্তহৈ পৰিলে পুনৰ মনত দুখ লগাই দিয়ে। এইদৰে দুখৰ পাচতো সুখ আছে আৰু কিছু সময় থাকি তাৰ পৰিবৰ্ত্তন হয়। কোনো

এটা কাৰ্য্যই যদি এসময়ত মানুহক সম্মান যুক্ত কৰে সিয়েই সময়ত আৰু অপমানো আনে। গতিকে ইয়াৰ কোনোটোৱেই চিৰকাল একে অবস্থাত নেথাকে। প্ৰকৃত আত্মজ্ঞানী মানুহে এইবোৰত কেতিয়াও মুগ্ধ নহয়। তেওঁ যি কোনো কাৰ্য্যতেই তাৰ বাহ্যিক আৰম্বৰকেই যথেষ্ট বুলি নেভাবে। তেওঁ সৰ্ব্বদাই বিচাৰশীল। তেওঁ সকলো বিষয়তে বিচাৰ কৰি তাৰ ভিতৰৰ কাৰ্য্যবোৰ আৰু তাৰ স্থায়ীত্বহে উলিয়াবলৈ চেষ্টা কৰে। তেওঁ প্ৰথমতেই বিচাৰ কৰি দেখে যে বিষয় আসক্ত মানুহে যে নিজক দেহ বুলি ভাবে ইয়াৰ স্থায়ীত্ব নাই। সোনকালেই হ'ক বা কিছুদিন পলমেই হ'ক নিশ্চয় ইয়াৰ বিনাশ হবই হব। ই অস্থায়ী বস্তু, ই কালৰ অধীন ; ইয়াৰ যেনেকৈ উৎপত্তি আছে তেনেকৈ ইয়াৰ পতনো আছে। এতেকে নিজক দেহ বা দেহকেই "মই" বোলাটো ভ্ৰান্তিমূলক কথাহে। দেহ কেতিয়াও "মই" নহয় বা এই জীৱনী শক্তি নহয় কাৰণ এই যি "মই" ইয়াৰ স্থায়ীত্ব আছে ই অস্থায়ী নহয়। এই দেহৰ ভিতৰত যি অবিনাশী শক্তি বৰ্ত্তমান আছে সেইটোহে প্ৰকৃত "মই" বা জীৱনী শক্তি এই "মই" বা জীৱনী শক্তিৰ কেতিয়াও বিনাশ নহয়। "মই' কালৰ অধীন নহয়। এই কালকো অতিক্ৰম কাৰব পৰা যি শক্তি সি এই "মই তে বা জীৱনী শক্তিত আছে। "মই" বা জীৱনী শক্তিৰ কেতিয়াও উৎপত্তি নহয় আৰু সেইদৰে কেতিয়াও পতনো নহয়। ই কেতিয়াও নতুন নহয় চিৰস্থায়ী বস্তু চিৰকালেই অপৰিবৰ্ত্তনীয়।

"মই" বোলোতে এই দেহ আৰু মনৰ অতীত যি পবিত্ৰ আত্মা সেই আত্মাকেহে বুজায়। মনৰ লগত আত্মা পৰিবৰ্ত্তন বা কলুষিত নহয়। আত্মা এই দেহৰ জন্মৰ আগত যি দৰে আছিল এতিয়াও সেইদৰে আৰু ভবিষ্যতেও ঠিক সেই একেদৰেই থাকিব। ইয়াৰ অবস্থাৰ লৰচৰ নহয়। দেহ যেনেকৈ কুমাৰ যৌৱন, জৰা আদি নানান অবস্থা প্ৰাপ্ত হয় আত্মা কেতিয়াও তেনেকুৱা নহয়। আত্মাক স্ত্ৰী পুৰুষ আদি বিভিন্ন নামত অভিহিত কৰিব পৰা নেযায়। ইয়াৰ জাতি বৰ্ণ আদি বিভিন্নতা ভাব নাই। আত্মাৰ কাম, ক্ৰোধ, লোভ, মোহ আদি বিকাৰ যুক্ত ভাব নাই। আত্মাৰ শত্ৰু-মিত্ৰ, উচ্চ-নীচ ভাব নাই। ইয়াক হত্যা কৰিব পাৰে এনে কোনো শক্তি নাই। এনে কোনো অস্ত্ৰ নাই। দেহৰ ভিতৰত ধৰি ৰাখিবলৈকো কোনো সাংসাৰিক বস্তুৰ শক্তিৰ বা অস্ত্ৰ-সস্ত্ৰৰ ক্ষমতা নাই। ই নিজেই এটা অবিনাশী জীৱনী। যেতিয়া মানুহৰ এই মহৎ জ্ঞান থিক মতে উপলব্ধি হয় তেতিয়া এই সংসাৰত কোনো ভয় নেথাকে। কিন্তু ভয় নেথাকে বুলি তেওঁ কাকো অত্যাচাৰ কৰিবলৈকো নেযায়। কাৰণ তেওঁ নিজক যেনেকৈ নিত্য অবিনাশী আৰু পূৰ্ণ বুলি ভাবে বা জানে সেইদৰে তেওঁ আনকো নিত্য, অবিনাশী বুলিয়ে জানে। সকলোতে সমভাবে এই জীৱনী শক্তি উপলব্ধি কৰে। জ্ঞান লাভ হলে তেতিয়া নিজৰ পৰা কোনোৱে ভয় নেপায় আৰু নিজেও ঠিকমতে ভয় বিহীন হয়। তেতিয়াহে মানুহে প্ৰকৃততে এই স্বাধীনতা

লাভ কৰিবলৈ সক্ষম হয়। তেতিয়া তেওঁ নিজেই জ্ঞাত হয় যে আচল মানুহ সৰ্ব্বদাই স্বাধীন ইয়াক কেতিয়াও কোনোও পৰাধীন কৰি ৰাখিব নোৱাৰে। এই অবস্থা লাভ হলে অৰ্থাৎ এই স্বাধীনতা লাভ হলে তেতিয়া মানুহে নিজৰ এই স্বধানতা নিজে উপভোগ কৰি বহি নেথাকে। তেও নিজে যি জ্ঞানৰ বলত এই পূৰ্ণ অবস্থা লাভ কৰিছে সেই জ্ঞান তেওঁ তেওঁৰ ওচৰ চুবুৰীয়া লোকককো বিলাই দি তেওঁলোককো সেইদৰে স্বাধীন কৰিবৰ বাবে প্ৰাণ টাকি চেষ্টা কৰে। এইদৰে ইয়াকেই তেওঁৰ জীৱনৰ কৰ্ত্তব্য কৰি লয়। এই কৰ্ম্ম তেওঁ নিজৰ অবস্থাত যেনে আনৰ বাবেও তেনেকৈ কৰে। তেতিয়া যিমানেই জীৱন ৰূপে ঘাত প্ৰতিঘাত আহিলেও তেওঁ অচল অটল ভাবে স্থিৰহৈ কৰ্ত্তব্যৰ লগে লগে গৈ থাকে। এই কৰ্ম্ম তেওঁ সত্যক আশ্ৰয় কৰি কৰে নানান বিপদ আপদৰ মাজেদি পাৰ হৈ গৈও যদি তেওঁ তাৰ কিবা এটা অংশ বা গোটেই কৰ্ম্মটোৰ ভিতৰতেই অসত্য যেন দেখা পায় তেন্তে নানান ক্ষতি স্বীকাৰ কৰিও তাৰ পৰিবৰ্ত্তন কৰি লয়। এইদৰে ওচৰ চুবুৰীয়াৰ পৰা আৰম্ভ কৰি তাৰ পিচত প্ৰদেশ, দেশ আদি যিমানেই পাৰে আগ বাঢ়ি যায় আৰু তেওঁৰ এই লব্ধ আত্মজ্ঞান তেওঁৰ এই স্বাধীনতা জগতত বিলাই দিবলৈ সমৰ্থ হয়।

এনেকুৱা লোকে নিজে দীন-দৰিদ্ৰৰ নিচিনা জীৱন যাপন কৰে। তেওঁ কেতিয়াও আনৰ দুখ দেখিব নোৱাৰে। কোনো মানুহৰ বা অইন প্ৰাণীৰ দুখ দেখিলে তাৰ সেই দুখ গুচাবলৈ

প্ৰাণপনে চেষ্টা কৰে । দৈহিক দুখ নিবৃত্তি কৰিবলৈ চেষ্টাৰ লগতে যাতে মানুহৰ মনৰ দুখ মনৰ অবস্থাৰো পৰিবৰ্ত্তন হয় তাৰ বাবে তেওঁ তেওঁৰ বিবেক বিচাৰৰ দ্বাৰাই বিচাৰ কৰি মানুহক জ্ঞান দিয়ে। আৰু তেওঁ সকলো বিষয়তে এই আত্মজ্ঞান যাতে উপলব্ধি কৰিব পাৰে মানুহক সেই বিষয়ে উপদেশ দিয়ে আৰু শিক্ষা দিয়ে ।

———

—সংযম—

এই স্বাধীনতা চিন্তা কৰিবলৈ হলে মানুহ সংযমী হোৱাৰ নিতান্ত আৱশ্যক। প্ৰথমতে এই যি মন—ইয়াক নিজৰ অধীনত আৰু সংযমত ৰাখিব লাগিব। কিন্তু যেনেকৈ মনক অধীনত আৰু সংযমত ৰাখিব লাগিব তেনেকৈ ই যাতে উচ্চ আৰু মহৎ চিন্তা কৰিবৰ বাবে সমৰ্থ হয় তাৰ বাবে সৰ্ব্বদাই চেষ্টা কৰিব লাগিব, তাৰ বাবে সুবিধা কৰি লব লাগিব। যি চিন্তা কৰিলে মনৰ শক্তি ক্ষয় হোৱাৰ সলনি বৃদ্ধি হয় সৰ্ব্বদাই যদি তেনে চিন্তাত মনক ৰখা হয় তেনেহলে ই সবল হব। আৰু মহৎ চিন্তা কৰিব যাওঁতে বিচলিত নোহোৱাকৈ স্থিৰ হৈ থাকি কাম কৰিব পাৰিব। বিশেষকৈ কুচিন্তাৰপৰাই মনৰ শক্তি অকাৰণত ক্ষয় পায় আৰু ই দুৰ্ব্বল হৈ পৰে। সকলো কুচিন্তাৰ ভিতৰত "কাম" চিন্তাই মানুহৰ সৰ্ব্বপ্ৰধান শত্ৰু আৰু এই কাম চিন্তাৰ পৰাই মনৰ সকলোতকৈ বেচি ক্ষতি হয় আৰু দুৰ্ব্বল হয়। গতিকে ই যেতিয়া দুৰ্ব্বল হব তেতিয়া কোনো মহৎ চিন্তা কৰিব নোৱাৰা হয়। আৰু যি কোনো বিষয় চিন্তা কৰিলে তাৰ মূল উলিয়াবলৈকে অক্ষম হৈ পৰে। এই কাম চিন্তাৰপৰা মন যেতিয়া দুৰ্ব্বল হৈ কোনো কথাকে ঠিক ভাবে চিন্তা কৰিব নোৱাৰা হয় তেতিয়া সামান্য কথা বিলাকতো ক্ৰোধ উৎপন্ন হয়। তেতিয়া সকলো

তাৰ গতি সংকীৰ্ণ অৱস্থা প্ৰাপ্ত হয় আৰু ইয়াৰ পৰাই মানুহে সামান্য ব্যক্তিগত স্বাৰ্থকে নিজৰ কৰ্ত্তব্য বুলি বিবেচনা কৰে। এই ব্যক্তিগত চিন্তাৰ যি ফল সেয়েই লোভ, মোহ অহঙ্কাৰাদি নানাৰূপে প্ৰকাশিত হয়। এনেকুৱা অৱস্থাত মানুহ সম্পূৰ্ণ পৰাধীন। যেতিয়া এইদৰে ৰিপুবোৰৰ পৰাধীন হৈ পৰে, স্বাধীনতা লাভ কৰা দূৰৰ কথা সেই বিষয় চিন্তা কৰিবলৈকো অসমৰ্থ হয়। যি জনে এইদৰে ভিতৰৰ ৰিপুবোৰৰ পৰাধীন তেওঁ বাহিৰতো পৰাধীন। কাৰণ মানুহ ৰিপুবোৰৰ অধীন হ'লে যেতিয়া তেওঁৰ নিজৰ ব্যক্তিগত ক্ষনস্থায়ী স্বাৰ্থৰ বাবে আনৰ অনিষ্ট কৰিবলৈ বাধ্য হয়। যেতিয়া কোনো এজনৰ বা সমাজৰ অনিষ্ট সাধন কৰে তেতিয়া অৱশ্যে তেওঁক সমাজক নাইবা কোনো ৰজাৰ আইনৰ দ্বাৰা শাসন কৰিব লগাত পৰে। আনকি যদি বাহিৰৰ কোনো শাসন নেথাকেও তথাপি তেওঁ যাৰ অনিষ্ট সাধন কৰে তাৰ পৰাই কিবা আঘাত পাব পাব বুলি সৰ্ব্বদাই নিজক নিজেই ভয়ত আতুৰ হৈ থাকে। এই অনিষ্ট মানুহক কাম, ক্ৰোধ, লোভ, মোহ এই কোনো ৰিপুই নকৰোক তেওঁ ভয় নোপোৱাকৈ থাকিব নোৱাৰে। যদি কোনো মানুহে কাম ৰিপুৰ বশীভূত হৈ কোনো কু-কৰ্ম্মত নিযুক্ত হয় তেন্তে তেওঁ যিমান ঐশ্বৰ্য্য শালী আৰু ক্ষমতাশালী হ'লেও তেওঁ সংকীৰ্ণ মনৰ হয়। তেওঁ সেই কামত লিপ্ত হোৱাৰ অৱস্থাত সঙ্কুচিত ভাবে ভয়ত অতি গোপনে স্বাৰ্থ সাধন কৰে। আৰু যদি কেতিয়াবা

হঠাৎ প্ৰচাৰ হয় তেতিয়া তেওঁ যিমান ভয় পায় যিমান অপমান যুক্ত হয় তাৰ আদি অন্ত নোহোৱা হয়। কিন্তু কিছুমানে এনেকৈ প্ৰচাৰ হোৱাৰ পিচত স্বেচ্ছাচাৰী হৈ ক্ষমতা আৰু ঐশ্বৰ্য্যৰ বলত মানুহে জনা শুনাকৈ কোনো কু-কৰ্ম্মত লিপ্ত হয় যদিও তথাপি তেওঁ ভয়ৰ পৰা মুক্ত হব নোৱাৰে। স্বেচ্ছাচাৰী মানুহ যিমান শক্তিশালী হলেও, সংযমী মানুহ যেনেকৈ সৰ্ব্বদাই মুক্ত ভাবে চলিব ফুৰিব পাৰে, কথা কব পাৰে তেওঁ তেনেকৈ নোৱাৰে। তাৰ কাৰণ আচলতে তেওঁৰ অন্তঃকৰণ অতি দুৰ্ব্বল হৈ যায় আৰু তেওঁ পৰাধীন। পৰাধীন মানুহ বলীষ্ঠ হলেও ধনী হলেও তেওঁ কেতিয়াও নিজৰ ইচ্ছা মতে মুক্ত ভাবে চলিব ফুৰিব নোৱাৰে। পৰাধীন মানুহে কিবা কথা সত্য বুলি জানিলেও যদি সেইটো তেওঁৰ গৰাকীৰ উদ্দেশ্যৰ লগত নিমিলে তেন্তে তেওঁৰ সেইটো থিক ভাবে কৰৰ ক্ষমতা নাই। মিছা কথা হলেও গৰাকীৰ মনত লগা হলে আৰু তেওঁৰ উদ্দেশ্যৰ লগত মিল হলে হাজাৰ হাজাৰ মানুহৰ অন্যায় হলেও তেওঁ সত্যৰ পৰিবৰ্ত্তে অসত্য কৰলৈহে বাধ্য হয়। তেওঁৰ বিবেকে কিন্তু সৰ্ব্বদাই অসত্য পথত যাবৰ বাবে বাধা দিব কিন্তু তেওঁৰ সেই সত্য বাণী শুনিবলৈ ক্ষমতা নোহোৱা হয়। কাৰণ তেওঁ দুৰ্ব্বল, তেওঁৰ সেই পৰাধীনতাৰ শৃঙ্খল গুচাবৰ যি উপায় তাৰ বাবে চিন্তা কৰিবলৈ নোৱাৰা হৈ গৈছে। গতিকে অসংযত মনৰ মানুহে স্বাধীন হবলৈ চেষ্টা কৰিব নোৱাৰে। সংযত মনৰ মানুহেহে স্বাধীনতা লাভৰ

চেষ্টা কৰিব পাৰে আৰু স্বাধীন হব পাৰে। যিদৰে কাম ৰিপুৰ চিন্তাৰ পৰা বা কাম ৰিপুৰ লগত সংযোগ হোৱাৰ ফলত মনৰ ক্ষতি হয়, মন দুৰ্ব্বল হয় সেইদৰে ক্ৰোধ, লোভ, মোহ আদিৰ পৰাও মনৰ যথেষ্ট ক্ষতি হয়, মন দুৰ্ব্বল হয়। যেতিয়া মানুহ ক্ৰোধযুক্ত হয় তেতিয়া মনে ক্ৰোধৰ লগত সংযুক্ত সেই বিষয় চিন্তা কৰিবলৈ ধৰে তেতিয়া মন অতিশয় চঞ্চল হয় আৰু অতিশয় পৰিশ্ৰান্ত হৈ শেষত মন দুৰ্ব্বলহৈ যায়। তেনে অবস্থাত মানুহৰ কোনো উচ্চ চিন্তা কৰিবলৈ শক্তি নেথাকে। যাৰ ওপৰত ক্ৰোধ কৰে তাতকৈ নিজৰহে অতিৰিক্ত ক্ষতি হয়। যাৰ ওপৰত ক্ৰোধ কৰে যদি তেওঁৰ মুঠেই ক্ৰোধ উৎপন্ন নহয় তেনেহলে তেওঁৰ অলপো ক্ষতি নহয়েই বৰং ক্ৰোধ কৰ্ত্তাৰ নিজৰহে ক্ষতি হয়। কামুক মানুহক যেনেকৈ কোনো সামাজিক বা ৰাষ্ট্ৰীক শক্তিৰ শাসন দৰ্কাৰ তেনেকৈ ক্ৰোধযুক্ত মনৰ মানুহেও যেতিয়া তেওঁৰ এই উশৃঙ্খল ভাবৰ দ্বাৰা মানুহৰ অন্যায় কৰিবলৈ ধৰে তেতিয়া তেওঁৰ ওপৰতো সামাজিক বা ৰাষ্ট্ৰীক শাসন আহি পৰে। এতেকে তেওঁ পৰাধীন। এনেকৈ লোভ আৰু মোহৰ দ্বাৰাও মানুহৰ নিজৰ ক্ষতি হয়, মন দুৰ্ব্বল হয়। যেতিয়া মানুহৰ মন লোভী হয় তেতিয়া আনৰ অন্যায় কৰিও নিজৰ স্বাৰ্থ পূৰণ কৰে যেতিয়া মানুহৰ মন মোহ যুক্ত হয় তেতিয়া তেওঁ যি মানুহৰ প্ৰতি আকৃষ্ট হয় সেই জনৰ কাৰণে বহু ক্ষেত্ৰত আনৰ অন্যায় কৰে। নাইবা যদি কোনো বস্তুৰ প্ৰতি মোহযুক্ত হয় তেন্তে নিজৰ বা আনৰ

অপকাৰ হলেও তেওঁ তাক ত্যাগ কৰিব নোৱাৰে। এনেকুৱা কুৎসিৎ আৰু সংকীৰ্ণ মনৰ মানুহে কেতিয়াও মহৎ চিন্তা কৰিব নোৱাৰে। এইবোৰ বিস্মৃত মন ঠেক হয় আৰু ভয়াতুৰ হয় সেইবাবে তেওঁ আন কোনো সংচিন্তা কৰিবলৈ সাহ নকৰে। লাহে লাহে তেওঁৰ চিন্তাশক্তি হ্রাসহৈ যায়। লোভ বা মোহ যুক্ত মনৰ মানুহে যেতিয়া এই ৰিপুবোৰৰ বশহৈ মানুহৰ অনিষ্ট সাধন কৰে তেতিয়া তেওঁৰ ওপৰতো যেই কোনো সামাজিক বা ৰাষ্ট্ৰীক শক্তিৰ শাসন অৱশ্যম্ভাবী। যাৰ ওপৰত শাসন আছে, যি এইদৰে ৰিপুবোৰৰ অধীন, যাৰ মন সংযত নহয়, স্বাধীন ৰাজ্যত থাকিলেও তেওঁ নিজে স্বাধীন নহয়। তেওঁ সম্পূৰ্ণৰূপে পৰাধীন। মানুহক আনে কেতিয়াও স্বাধীন কৰিব নোৱাৰে, স্বাধীন হব লাগিব নিজে। নিজৰ ভিতৰত নিজে স্বাধীনতা লাভ কৰিব লাগিব। নিজে স্বাধীন হব নোৱাৰিলে আনৰ সহায়ত পোৱা মিছা। আনে পথ দেখুৱাব পাৰে অভিজ্ঞতাৰ আদৰ্শ হব পাৰে কিন্তু উপলব্ধি কৰিব লাগিব নিজে। যদি কোনো শাসনকৰ্ত্তাই নিজে অসংযমী তেওঁ ৰিপুবোৰৰ অধীন, তেন্তে তেওঁ শাসনাধিপতি হৈও পৰাধীন। কাৰণ তেওঁ ভয়ৰ পৰা হাত সাৰিব নোৱাৰে। যি সকলক তেওঁ শাসন কৰিবলৈ গৈছে তেওঁলোকৰ পৰাই ভয় পায়। তেওঁ তেওঁৰ শাসনত থকা মাটি বোৰতো মুক্ত ভাবে ফুৰিব সাহ নকৰে, ভয়ত তেওঁৰ বাসগৃহতো নানান অস্ত্ৰ-সস্ত্ৰ আৰু সৈন্যসকলৰ সহায়তহে আৰো টোপনি লাভ কৰিব পাৰে। তেওঁ

এই অস্ত্ৰ-সস্ত্ৰ আৰু সৈন্যবলৰ ওচৰতো পৰাধীন কাৰণ এই সকল যদি হঠাতে নোহোৱা হয় তেন্তে কোনোবাই তেওঁৰ সেই কু-কৰ্ম্মৰ প্ৰতিশোধ লব বুলি ক'ত গৈ লুকাই থাকিব তাকে ভাবি আধা মৰা হয়। গতিকে অসংযমী মানুহ নিজে শাসনকৰ্ত্তা হলেও মুক্ত নহয়। তেওঁৰ আৰু কোনো ৰকমৰ মহৎ চিন্তা কৰিবৰ শক্তি নেথাকে। তেওঁ স্বাধীন নহয় পৰাধীন। মনক সংযম কৰিব নোৱাৰা মানে মনক নিজৰ অধীনত ৰাখি সৎচিন্তাত, মহৎচিন্তাত খটাব নোৱাৰা মানে নিজৰ স্বৰূপ পাহৰি যোৱা, নিজৰ স্বাধীনতা পাহৰি যোৱা। মনক সংযত কৰিবই লাগিব, মনক নিজৰ অধীনত ৰাখিবই লাগিব। তেনেহলেহে মনৰ দ্বাৰা মহৎ চিন্তা কৰিব পৰা হব। মনক অস্থায়ী চিন্তাৰ পৰা আতৰাই আনি সংযত কৰি ৰাখ আনতা আৰু অসত্য বস্তুৰ পৰা টানি আনি স্থায়ী চিন্তাত লগাই দিব লাগিব, মনক নিত্যবস্তুৰ বিষয় চিন্তা কৰিবলৈ সত্যৰ অন্বেষণ কৰিবলৈ সত্য বস্তুৰ বিষয় চিন্তা কৰিবলৈ শিকাব লাগিব। অসত্য ফালৰ পৰা আতৰাই আনিলেহে মনে সত্য চিন্তা কৰিবলৈ উপযুক্ত হব, মহৎ চিন্তা কৰিব পাৰিব। মন সংযমী হলেহে, মন সম্পূৰ্ণমতে নিজৰ অধীনত থাকিলেহে আন ৰিপুবোৰো নিজৰ সংযমত থাকিব। সংযত মনৰ দ্বাৰাহে স্বাধীনতাৰ বিষয় চিন্তা কৰিব পৰা যাব। তেনেহলেহে এই শান্তিপূৰ্ণ স্বাধীনতা লাভ কৰিব পৰা হব সংযমৰ দ্বাৰা মন শান্ত হলে তেতিয়া নিজৰ স্বৰূপ বুজি পাব, তেতিয়া আত্মজ্ঞান

লাভ হব, আত্মজ্ঞান লাভ হ'লে তেতিয়া কব পাৰিব যে "মই" নিত্য "মই" স্বাধীন "মই" সত্যৰ প্ৰতিমূৰ্ত্তি, "মই" শান্তিপূৰ্ণ।

স্বাধীনতা লাভ কৰিবলৈ হলে বা আত্মজ্ঞান লাভ কৰিবলৈ হলে যিদৰে মনক সংযত কৰিব লাগিব, সেইদৰে দেহকো সম্ভালি ৰাখিব লাগিব। যিদৰে মনক নিজৰ অধীনত ৰাখি উচ্চ আৰু মহৎ চিন্তাৰ উপযোগী কৰিবৰ বাবে চেষ্টা কৰিব লাগিব সেইদৰে শৰীৰকো নিজৰ অধিনত ৰাখি ই যাতে মহৎ কৰ্ম্মৰ উপযোগী হয় তাৰ বাবে চেষ্টা কৰিব লাগিব। মনৰ যেনেকৈ চিন্তাত অধিকাৰ চিন্তাই ইয়াৰ কৰ্ত্তব্য, দেহৰো তেনেকৈ কৰ্ম্মত অধিকাৰ আৰু ইয়াৰ কৰ্ত্তব্য হৈছে পৰিশ্ৰম কৰা, কৰ্ম্ম কৰা। কিন্তু দেহ আৰু মনৰ ভিতৰত এনে সম্বন্ধ যে ইটোৱে সিটোক কেনো কাৰ্য্যতেই এৰি চলিব নোৱাৰে। বিশেষকৈ মনৰ চিন্তা শক্তিয়ে যেনে অবস্থা প্ৰাপ্ত হব তেনেকৈ দেহৰ কৰ্ম্ম শক্তিয়েও ঠিক তেনে অবস্থা প্ৰাপ্ত হয়। মন যেতিয়া স্থিৰ ভাবে থাকে আৰু যেতিয়া কোনো গম্ভীৰ চিন্তাত নিযুক্ত হয় তেতিয়া দেহৰ গতিও সেইদৰে স্থিৰ আৰু গম্ভীৰ ভাব ধাৰণ কৰে। তেতিয়া সকলো ইন্দ্ৰিয় বোৰেও শান্ত ভাৱ ধাৰণ কৰে। আৰু যদি মনৰ অবস্থা চঞ্চল হয়, অস্থিৰ হয়, তেন্তে দেহৰ অবস্থাও ঠিক তেনেদৰে চঞ্চল হয়, অস্থিৰ হয়। গতিকে মন যদি কু-চিন্তাৰ দ্বাৰা বা "কাম" চিন্তাৰ দ্বাৰা বিকাৰ যুক্ত আৰু দুৰ্ব্বল হয় তেনেহলে দেহো দুৰ্ব্বল হৈ পৰিব আৰু বিকাৰ যুক্ত হব। দেহ বিকাৰ যুক্ত হোৱা মানে বেমাৰী অবস্থা প্ৰাপ্ত হোৱা। যেতিয়া

দেহ বেমাৰী অবস্থা প্ৰাপ্ত হয় বা দুৰ্ব্বল হয় তেতিয়া মানুহৰ সকলো কাম কাজৰ প্ৰতি হেলা হয়। আৰু এনে অবস্থাত কোনো সৎকাম বা পৰোপকাৰৰ অৰ্থে কাম কৰা দূৰৈৰ কথা তেতিয়া নিজৰ ঘৰৰ যি কাম কাজ থাকে তাৰ ওপৰতো ঘৃণা ভাব উপস্থিত হয়। আগতে কোৱা হৈছে যে কু-চিন্তাৰ পৰা মন যেতিয়া দুৰ্ব্বল হব, সংকীৰ্ণ ভাব ধাৰণ কৰিব স্বাৰ্থপৰ হব তেতিয়া অতি সামান্য কথাতেই ক্ৰোধ উৎপন্ন হয় আৰু লোভ মোহ আদিয়ে তাৰেই ফল স্বৰূপে দেখা দিয়ে। গতিকে মনৰ যেতিয়া দুৰ্ব্বল অবস্থা হব তেতিয়া দেহো দুৰ্ব্বল হব আৰু ইন্দ্ৰিয় বিলাকত কাম, ক্ৰোধ, লোভ, মোহ অহঙ্কাৰ আদি লক্ষণে দেখা দিব। এনে অবস্থাৰ মানুহেই সম্পূৰ্ণ পৰাধীন। কাৰণ যেতিয়া মানুহ এই শৰীৰত থকা ৰিপুবোৰৰ ওচৰত পৰাধীন হব তেতিয়া সিহঁতক নিজৰ অধীনত ৰাখিব নোৱাৰাহৈ নিজেই ভ্ৰান্তিত পৰি ইহঁতৰ অধীন হয়, তেতিয়া তেওঁ বাহিৰৰ পৰা কোনো স্বাধীনতা লাভ কৰিলেও তেওঁ স্বাধীন নহয়। যদি কোনো মানুহে অস্ত্ৰ-সস্ত্ৰ আৰু সৈন্যবলৰ দ্বাৰা কোনো বাহ্যিক ভাবে স্বাধীনতা লাভ কৰে নাইবা তেনেকৈ স্বাধীনতা লাভ কৰা দেশত বাস কৰে আনপিণে তেওঁ তেওঁৰ শৰীৰত থকা ৰিপুবোৰৰ অধীন, তেওঁৰ নিজৰ ইচ্ছামতে সিহঁতক চলাব নোৱাৰে বৰং সিহঁতৰ ইচ্ছামতে নানান অসত্য পথত গতি কৰে, তেন্তে তেওঁ স্বাধীন নহয়। এনে অবস্থাত যদি তেওঁক সোধা যায়, তেওঁৰ লগত কথা বতৰা হোৱা যায় তেন্তে তেওঁৰ নিজৰ কথা বতৰাৰ পৰাই বুজি পোৱা যাব

আৰু নিজেই স্বীকাৰ কৰিব যে তেওঁ শান্তি পোৱা নাই। যদি এজন মানুহে সৰ্ব্বদাই অশান্তিকে ভোগ কৰি থাকে তেনেহলে তেওঁ কেনেকৈ কব পাৰে যে তেওঁ স্বাধীনতা লাভ কৰিছে বা তেওঁ স্বাধীন? তেওঁ সম্পূৰ্ণ পৰাধীন। যদি কোনো মানুহে তেওঁৰ শৰীৰত থকা ৰিপুবোৰক নিজ ইচ্ছামতে সৎপথত চলাব পাৰে (যেনে পথত ৰিপুবোৰ চলালে তেওঁৰ কোনো অশান্তি নেথাকে) যদি মনক নিজৰ অধীনত ৰাখি সৎ-চিন্তাত খটাব পাৰে তেনেহলে তেওঁ স্বাধীন। তেনেহলে তেওঁ সকলো অশান্তিৰ পৰা মুক্ত হব শান্তি পাব। নাইবা আন কোনো মতে স্বাধীন বুলি কব নোৱাৰে আৰু শান্তি নেপায়। গোটেই দেশখন যদি স্বাধীন হয় যদি নিজে স্বাধীন হব নোৱাৰে, যদি তেওঁ মন আৰু ৰিপুবোৰৰ অধীনহৈ থাকে তেন্তে তেওঁ স্বাধীন দেশত বাস কৰিলেও পৰাধীন। কাৰণ তেওঁ এনে অৱস্থাত থাকি কেতিয়াও শান্তি লাভ কৰিব নোৱাৰে। আৰু যদি নিজে স্বাধীন হব পাৰে মন আৰু ৰিপুবোৰক অধীনত ৰাখিব পাৰে তেওঁ সেইবোৰৰ অধীন নহয়; নিজে শান্তি লাভ কৰিব পাৰে, তেন্তে পৰাধীন দেশত বাস কৰিলেও তেওঁ অন্ততঃ নিজে স্বাধীন—নিজে যেতিয়া স্বাধীন হব, নিজে যেতিয়া শান্তি পাব তেতিয়া তেওঁৰ আনকো স্বাধীন কৰিব পৰা শক্তি হব। তেতিয়া তেওঁৰ পৰা আনেও শান্তি লাভ কৰিব পাৰিব। এইদৰে যি শান্তি পায় এই শান্তিপূৰ্ণ স্বাধীনতা লাভ কৰিব পাৰে আনকি তেতিয়া তেওঁ গোটেই দেশখনকে স্বাধীন কৰিব পৰা গোটেই দেশখনকে শান্তি দিব পৰা শক্তি পায়।

ব্ৰহ্মচৰ্য্য

ব্ৰহ্মচৰ্য্য পালন কৰা মানুহৰ একান্ত কৰ্ত্তব্য আৰু স্বাধীনতা পথৰ ইএটা ব্ৰত। গতিকে নিজে সাজু হব লাগিলে নিজে শক্তিমান হব লাগিলে কায়-মনোবাক্যে ব্ৰহ্মচৰ্য্য পালন কৰাটো মানুহৰ একান্ত আবশ্যক। মানুহৰ শৰীৰৰ যি শুক্ৰ ধাতু ইয়াক সৰ্ব্বতোভাবে ৰক্ষা কৰাকে ব্ৰহ্মচৰ্য্য পালন কৰা বোলে। এই শুক্ৰ ধাতু (বীৰ্য্য) ৰক্ষাকৰিবলৈ হলে সৰ্ব্বতো ভাবে কাম ৰিপুৰ পৰা আতৰি থাকিব লাগিব। কাম ৰিপুক সৰ্ব্বতোভাবে দমন কৰিব লাগিব। মনৰ দ্বাৰা কাম চিন্তা নকৰিব। দেহক ইন্দ্ৰিয় বোৰক কাম ৰিপুৰ উত্তেজনাৰ পৰা আঁতৰাই ৰাখিব। তেনেহলে ব্ৰহ্মচৰ্য্য ৰক্ষা কৰা হব। যেতিয়া ব্ৰহ্মচৰ্য্য ৰক্ষা কৰা হব অৰ্থাৎ যেতিয়া এই শুক্ৰ ধাতু ঠিক মতে ৰক্ষা কৰিব পৰা যাব তেতিয়া মনে শান্ত ভাব ধাৰণ কৰিব, স্থিৰ হব। মন শান্ত হলে যি কোনো মহৎ চিন্তা কৰিবলৈ আৰু যি কোনো ভাবৰ আচল তথ্য উলিয়াবলৈ সক্ষম হব। তেতিয়া যদি কোনো এটা কাম সত্য বুলি বুজি আৰু সেই কামটো নিজৰ কৰ্ত্তব্য কৰ্ম্ম বুলি বিবেচনা হয় তেন্তে ইয়াৰ কোনো ৰকমৰ বিপদৰ আশঙ্কাই মানুহক ভয় খুৱাব নোৱাৰে। অতি গুৰুতৰ কাৰ্য্য হলেও তেওঁ তাক কৰিবলৈ সেই সত্য কাৰ্য্যত যোগ দিবলৈ সাহ কৰিব পাৰে। যেতিয়া ব্ৰহ্মচৰ্য্য ৰক্ষাৰ ফলত মস্তিস্ক সবল

PLEASE HANDLE THE BOOK CAREFULLY.

হব তেতিয়া ক্ৰোধ ৰিপুৱে শান্ত ভাব ধাৰণ কৰিব; লোভ, মোহ আদিয়ে আধিপত্য কৰিব নোৱাৰা হব। তেতিয়া এই সকলে সাম্য ভাবত পৰিণত হব। অহঙ্কাৰ গৈ প্ৰেমৰ আশ্ৰয় লব। ভক্তি ভাব হৃদয়ত উপজিব, দয়াই অভ্যাসত পৰিণত হব। তেতিয়া স্বাধীনতাৰ যুদ্ধত স্থিৰ হৈ যুজিব পৰা শক্তি হব। এনেকৈ যিজনে শক্তি সঞ্চয় কৰি লয় তেওঁহে বুজিব পাৰে যে মানুহক এনেকুৱা স্বাধীনতা লাগে আৰু এনেকুৱা স্বাধীনতা পালে মানুহে শান্তি লাভ কৰিব পাৰে। এনেকুৱা অবস্থাৰ মানুহে বাহিৰৰ আন্দোলন চলোৱাৰ আগতে ভিতৰতহে ভালদৰে আন্দোলন চলায়। কাৰণ তেওঁ জানে যে তেনেহলেহে স্বাধীনতা যুদ্ধৰ ঘাত প্ৰতিঘাতত স্থিৰ থাকিব পৰা যায়। মানুহৰ যি প্ৰকৃত স্বাধীনতা তাক এনেকুৱা মানুহেহে লাভ কৰিবলৈ সক্ষম হয় আৰু বাহিৰৰ কোনো শক্তিয়ে যে মানুহক পৰাধীন কৰি ৰাখিব নোৱাৰে তেওঁ তাক নিজেই উপলব্ধি কৰিব পাৰে। প্ৰকৃত স্বাধীনতা লাভ কৰা মানুহে যেনেকৈ নিজে স্বাধীনহৈ সুখী হয়, তেনেকৈ আনকো এই সুখত লাভবান হবলৈ সহায় কৰে। তেওঁ কেতিয়াও পৰৰ ওপৰত আধিপত্য চলাবলৈ ইচ্ছা নকৰে। কাৰণ প্ৰকৃত স্বাধীনতা পৰৰ ওপৰত নিৰ্ভৰ কৰি নচলে বা কোনো অস্ত্ৰ-সস্ত্ৰৰ ওপৰত নিৰ্ভৰ নকৰে। সৰ্ব্বদাই নিৰ্ভৰ কৰে নিজৰ ওপৰত। স্বাধীনতা যেনেকৈ নিজৰ ভিতৰৰ পৰাহে লাভ হয় তেনেকৈ নিজৰ ওপৰতে ইয়াৰ আধিপত্য। নিজৰ ভিতৰত এই স্বাধীনতা লাভ

হলে, নিজৰ ভিতৰত এই সুখ লাভ হলে, অনুভব হলে তেতিয়া তেওঁ অহিংস হয়; তেও পৰৰ দুখ দেখিলে সহ্য কৰিব নোৱাৰে, সেই কাৰণে নিজৰ যি সুখ, যে আনন্দ তাক আনকো যথাসাধ্য বিলাই দিয়ে। এইদৰে ব্ৰহ্মচৰ্য্যৰ ফলত যাৰ মন শান্ত হয়, স্বাধীন হয় তেওঁ নিজে বুজি পায় আৰু আনকো বুজায় যে আচল মানুহ সৰ্ব্বদাই স্বাধীন।

ব্ৰহ্মচৰ্য্য পালন কৰা মানে আমি ইয়াত সমুলি বিবাহিত জীৱনৰ বিপৰীত কোৱা নাই। ব্ৰহ্মচৰ্য্য পূৰ্ণতা লাভ কৰি তাৰ পাচত উপযুক্ত বয়সত বিবাহ কৰি যদি ঠিক প্ৰাকৃতিক নিয়ম মতে কেৱল উপযুক্ত সন্তান উৎপাদনৰ বাহিৰে শুক্ৰ ক্ষয় নকৰি সংযম অভ্যাস কৰি চলে আৰু অহিংস হয় তেন্তে তেতিয়াও শক্তি সমানে থাকিব আৰু স্বাধীনতা লাভ কৰিব পাৰে। এতেকে কুমাৰ, বিবাহিত, বানপ্ৰস্থী, সন্যাসী আদি সকলো আশ্ৰমীয়ে ব্ৰহ্মচৰ্য্য পালন কৰাটো প্ৰধান কৰ্ত্তব্য।

—অহিংসা—

এই পথত মানুহ অহিংস হোৱা একান্ত আৱশ্যক। কাৰণ মানুহৰ হিংসা ভাব দুৰ্ব্বলতাৰপৰা উৎপন্ন হয়। হিংসা ভাব থাকে মানে, দুৰ্ব্বলতা থাকে মানে মানুহে স্বাধীনতা লাভ কৰিব নোৱাৰে। পৰাধীন মানুহেহে আনক হিংসা কৰে। যি বিলাকে খাদ্যৰ কাৰণে প্ৰাণী হিংসা কৰে; তেওঁলোকে কেৱল লোভ ৰিপুৰ বশ হৈহে হিংসা কৰে। লোভ ৰিপুৰ বশ হোৱাটো এটা দুৰ্ব্বলতাৰ চিন। আৰু আগতে কোৱা হৈছে যে যেতিয়ালৈকে মানুহ ৰিপুৰ বশ হৈ থাকে ৰিপুবোৰক অধীনত আনিব নোৱাৰে তেতিয়ালৈকে মানুহ স্বাধীন হব নোৱাৰে। খাদ্যৰ বাবে মানুহে প্ৰাণী হিংসা কৰাটো অনুচিত। অহিংস সাত্বিক আহাৰেই মানুহৰ উৎকৃষ্ট খাদ্য। নিৰামিষ আহাৰকেই সাত্বিক আহাৰ বুলি কোৱা হয়। মাছ-মাংস মানুহৰ অতি অস্বাভাবিক খাদ্য। ইয়াৰ কাৰণেই মানুহে অনাহকত প্ৰাণী হত্যা কৰে। এই আমিষ আহাৰৰ পৰা মানুহৰ মন চঞ্চল হয়। মানসিক চঞ্চলতাৰ ফলত উত্তেজনা শক্তি বাঢ় হয় আৰু ব্ৰহ্মচৰ্য্য ভঙ্গ হয়। এই মহাব্ৰত ভঙ্গ হলে মানুহক সকলো দুৰ্ব্বলতাই আগুৰি ধৰে আৰু সকলোবোৰ ৰিপুৰ অধীন হৈ পৰে। গতিকে তেওঁ পৰাধীন। নিৰামিষ সাত্বিক আহাৰৰ পৰা মানুহৰ মন স্থিৰ হয় আৰু

বিপু-উত্তেজনা শক্তি কমি যায়। যি খাদ্যৰ পৰা মন স্থিৰ হয় তেনে খাদ্যৰ পৰাই ব্ৰহ্মচৰ্য্য ৰক্ষা হয়। এই মহাব্ৰত ৰক্ষা হ'লে মন শৰীৰ আদি সকলো সৱল হয়। আৰু বিপু-বোৰ নিজৰ অধীন হয়। বিপুবোৰ নিজৰ অধীনত আহিলেহে স্বাধীনতা লাভ কৰিব পাৰে। গতিকে খাদ্যৰ কাৰণে মানুহে অকাৰণত জীৱ হত্যা কৰা উচিত নহয়।

ইয়াৰ বাহিৰে মানুহে অন্যান্য বিষয়তো হিংসা কাম কৰে কিছুমানে হয়তো ধন সম্পত্তিৰ লোভত, আধুনিক যশস্যাৰ লোভত পৰিও প্ৰাণী হিংসা কৰে। যিবিলাকে এনেকুৱা কাৰ্য্যৰ বাবে হিংসা কৰে তেওঁলোকেও কেৱল তেওঁলোকৰ মানসিক দুৰ্ব্বলতাৰ কাৰণেহে হিংসা কৰে। আনৰ ধন-সম্পত্তিলৈ আধুনিক যশস্যালৈ বা আনৰ ৰাজ্যলৈও যিবিলাকে হিংসা কাৰ্য্যত পৰিণত হয় তেওঁলোকে নিজৰ স্বাধীনতা উপলব্ধি কৰিব নোৱাৰিহে হিংসা কাৰ্য্য কৰে। যি স্বাধীনতা আনৰ ওপৰত নিৰ্ভৰ কৰে যি মান-যশ আনৰ ধন সম্পত্তিৰ ওপৰত বা আনৰ ৰাজ্যৰ ওপৰত নিৰ্ভৰ কৰে সি স্বাধীনতা নহয়, সি মান-যশো নহয়। যি মানুহ প্ৰকৃত স্বাধীন তেওঁ কেতিয়াও আনৰ স্বাধীনতা হৰণ নকৰে। যি স্বাধীনতা লাভ কৰিব যাওঁতে আনৰ স্বাধীনতা ধ্বংস কৰিব লাগে আনক হিংসা কৰিব লাগে তাক স্বাধীতা নোবোলে। আৰু হিংস্ৰক মানুহ সৰ্ব্বদাই ভয়ত অস্থিৰ হৈ থাকে। ভয়াতুৰ মানুহ সম্পূৰ্ণ পৰাধীন। স্বাধীন মানুহৰ কোনো

ৰকমৰ ভয় নাই ; আৰু আনেও তেওঁৰ পৰা ভয় নেপায় । যাক আনে ভয় কৰে আৰু যি আনৰ পৰা ভয় পায় তেওঁ কেতিয়াও স্বাধীন নহয় গতিকে স্বাধীনতা লাভ কৰিব লাগিলে মানুহ অহিংস হোৱা দৰ্কাৰ । আকৌ একপ্ৰকাৰে মানুহে মনৰ দ্বাৰা হিংসা কাৰ্য্য কৰে—যেনে আনৰ ধন-সম্পত্তি দেখি, আনক সন্মানিত দেখি মনতে হিংসা কৰে । এইদৰে যি হিংসা কাৰ্য্য কৰা হয় ইয়াৰ ফল বিষময় । যদি এজন মানুহে আন এজন মানুহৰ কিবা অন্যায়ৰ বাবে চিন্তা কৰে তেন্তে সেই চিন্তাই অবশেষত কাৰ্য্যত পৰিণত হয় । এনেকুৱা চিন্তাৰ ফলতেই মানুহৰ নানা দন্দ-খৰিয়াল মোকৰ্দ্দমা আদি হয় । আনকি ইয়াৰ ফলতেই শেষত গৈ কটা-কটি মৰা-মৰিও হয় । এনেকুৱা হিংসাৰ পৰাও সম্পূৰ্ণ ভাবে মুক্ত হব লাগিব ।

আৰু এটা কথা—মানুহ অহিংস হবলৈ হলে যেনেকৈ নিজে কাকো স্বইচ্ছাই হিংসা নকৰিব তেনেকৈ যদি আন কোনোবাই তেওঁক হিংসা কৰিবলৈ আৰম্ভ কৰে তথাপি তেওঁ হিংসা নকৰিব । কিন্তু এই বুলি ভয় পাব নেলাগে যে আনে হিংসা কৰিলেও হিংসা নকৰাকৈ থাকে তেনেহলে তেওঁ ধ্বংস হৈ যাব । তেওঁ ধ্বংস নহৈ বৰং শান্তি যুক্ত হৈহে থাকিব পাৰিব । ইয়াৰ প্ৰমান স্বৰূপে যদি কোনো এটা মানুহে আন এজনক কিবা কাৰণত খং কৰি গালি পাৰে বা মাৰিবলৈ যায়, যদি তেওঁ সেইটো সহ্য কৰি খং নুঠাকৈ থাকিব পাৰে আৰু ভদ্ৰভাৱে তেওঁক ভুলটো বুজাই দিব পাৰে,

তেনেহলে তেওঁৰ খং আৰু বেচি সময় থাকিব নোৱাৰে। কিছু সময়ৰ পিচত তেওঁ নিজেই তেওঁৰ ভুল বুজি লাজ পাব আৰু শান্ত হব। এইদৰে সহিষ্ণু মানুহ পিচত গৈ একেবাৰে শত্ৰু বিহীন হয়। আৰু সকলোৰে প্ৰিয় পাত্ৰ হয়। এনেকুৱা ঘটনা আমি প্ৰায় দেখো। যদিও নিজৰ সময়ত সহিষ্ণু জনক অনুকৰণ কৰিবলৈ প্ৰথম অবস্থাত টান যেন লাগে। তথাপি সেই সময়ত তেওঁক আমি অন্তৰেৰে শত ধন্যবাদ প্ৰদান কৰো। কিন্তু যদি অলপ চেষ্টা কৰো তেনেহলে তেওঁ যেনেকৈ সহিষ্ণুতাৰ গুণত শান্তি লাভ কৰিছে তেওঁৰ বীৰত্বৰ পৰিচয় দিছে তেনেকৈ আমিও শান্তি লাভ কৰিব পাৰিম। কিছুমানে হয়তো ভাবিব পাৰে যে এনেকৈ সহ্য কৰাটো দুৰ্ব্বলতাৰহে চিন। কিন্তু সেইটো আচলতে নহয়। কাৰণ দুৰ্ব্বল মনৰ মানুহ সহিষ্ণু হব নোৱাৰে। যি মানুহৰ সহ্যগুণ নাই খঙিয়াল তেওঁহে দুৰ্ব্বল। তেওঁ ৰিপুবোৰক নিজৰ অধীনত আনিব নোৱাৰি সিহঁতৰ অধীনত আছে বুলিহে অলপতে খং কৰে আৰু সহিষ্ণু হব নোৱাৰে। তেওঁ নিজৰ শক্তি লাভ কৰিব পৰা নাই বুলিয়ে ৰিপুবোৰৰ অধীন হৈ আছে আৰু তেওঁ দুৰ্ব্বল। যি পৰ্য্যন্ত তেওঁ এই দুৰ্ব্বলতা দূৰ কৰিব নোৱাৰিব সেই পৰ্য্যন্ত তেওঁ পৰাধীন শান্তিহীন। যি ৰিপুবোৰক নিজৰ অধীনত ৰাখিব পাৰিছে যাৰ সহিষ্ণুতা আছে তেওঁহে শক্তিশালী, সবল। যি দুৰ্ব্বলতাক খেদি দি অন্তৰত শক্তি সঞ্চয় কৰি লৈছে, সম্পূৰ্ণ অহিংস হৈছে, তেওঁহে স্বাধীনতা লাভ কৰিব পাৰে; তেওঁহে স্বাধীন।

সত্য

স্বাধীনতা লাভ কৰিবলৈ হ'লে মানুহ সম্পূৰ্ণ ভাবে কায়-মনোবাক্যে সত্যব্ৰতী হোৱাটো অত্যন্ত আৱশ্যক। কাৰণ সত্যই হৈছে সকলোৰে মূল স্বৰূপ। সত্যই সকলো সুখৰেই হেতু, সত্যই সকলোৰে আনন্দ সত্যই সকলো সাধনাৰে সাধ্য। সত্যই সকলো জ্ঞানৰেই মূল, সত্যই সকলো কাৰ্য্যৰেই কাৰণ। সত্যই শান্তিৰ প্ৰতিমূৰ্ত্তি, সত্যব্ৰতী হলেহে মানুহ সৰ্ব্বদাই শান্তি যুক্ত হৈ থাকিব পাৰে।

প্ৰথমে বাক্যৰ দ্বাৰা সত্যব্ৰত পালন কৰিব লাগিব অৰ্থাৎ সত্যবাদী হব লাগিব। যেনে বাক্যৰ দ্বাৰা আনৰ কোনো ৰকমৰ অন্যায় নহয়, যেনে বাক্যৰ দ্বাৰা আন কাৰো প্ৰতি কপটতা আচৰণ কৰা নহয়, যি বাক্য সংকীৰ্ণ স্বাৰ্থযুক্ত নহয় আৰু ভয় বিহীন তেনেকুৱা বাক্যই সত্য বাক্য। অৰ্থাৎ সত্যবাদী হব লাগিলে এইবোৰৰ পৰা সৰ্ব্বদাই বাহিৰত থাকিব লাগিব। তেনেহলে মানুহ সত্যবাদী হব পাৰে। আৰু এটা কথা সত্যবাদী হব লাগিলে মানুহ বাকসংযমী হব লাগিব। বিশেষ প্ৰয়োজন নেথাকিলে বিনা কাৰণত কেতিয়াও কোনো কথা কোৱা ভাল নহয়। যিমান পৰা যায় কম কথা কোৱা অভ্যাস কৰা দৰ্কাৰ কোনো কথা নিজে বহুদিন ধৰি যুক্তি মূলক বুলি ধৰি থাকিলেও যদি কোনো মানুহে বুজাই দিওঁতে তাৰ

অসাৰতা বুজি পোৱা হয় তেন্তে তাত নিৰ্ব্বিবাদে নিজৰ ভুল স্বীকাৰ কৰি লব লাগে আৰু সুধৰাই লবলৈ প্ৰস্তুত থাকিব লাগে। নিজৰ ভুল আনে বুজাই দিওঁতে যদি কোনো কৰ্কশ ভাষাত নাইবা তৰ্ক কিম্বা ঠাট্টাৰ জৰিয়তেও কয় আৰু সেই সময়ত যদি সচাকৈ নিজে নিজৰ ভুল বুজি পোৱা যায় তেন্তে তাত অপমান বোধ কৰা বা তৰ্ক কৰা উচিত নহয়। নিজৰ ভুল বুজি পাইও লাজ বা অপমানৰ ভয়ত তৰ্ক কৰিব লাগিলে তেতিয়া যেই সেই নানা ৰকমৰ কথা জোৰা দিব লাগিব আৰু মিছা কথা কব লগাত পৰিব। গতিকে এনেকুৱা অবস্থাত কোনো তৰ্ক কৰিব নেলাগে। নেভাবা নিচিন্তাকৈ যেনেই তেনেই কোনো কথা কোৱা উচিত নহয়। যি কোনো কথা কবলৈ হলে আগতে ভালদৰে চিন্তা কৰি গমি-পিতি কোৱাটোহে একান্ত আৱশ্যক! মানুহৰ লগত কথা কোৱা অৱস্থাত পাৰ্য্যমানে নম্ৰ, প্ৰিয় আৰু মিষ্ট, ভাষাৰে কবলৈ অভ্যাস কৰা দৰ্কাৰ। কোনো কথা দাম্ভিক, কৰ্কশ, আৰু অপ্ৰিয় ভাবে কব নেলাগে। সত্য কথা কবলৈ ভয় নকৰিব প্ৰাণান্তেও সত্য কথাকে কব। কিন্তু সত্য কথা হলেও তাক প্ৰিয় ভাবে আৰু নম্ৰতাৰেহে কব লাগে। কোনো মানুহৰ ওপৰত কোনো কাৰণত ক্ৰোধ যুক্তহৈ গালি শপনি যুক্ত কথা ব্যৱহাৰ কৰাটো অত্যন্ত অন্যায়। মিছা কথা কোনো ঠাট্টাৰ ছলে নাইবা কাকো প্ৰবোধ দিবলৈ হলেও কব নেলাগে। এইদৰে কিছুদিন যেতিয়া সৰ্ব্বতো ভাবে সত্যভাষী হবলৈ চেষ্টা

কৰিব আৰু মিছা কথা নকবলৈ দৃঢ় প্ৰতিজ্ঞ হব পিচত এই অভ্যাস গৈ স্বভাবতে পৰিণত হয়। যেতিয়া ই স্বভাবত পৰিণত হয় তেতিয়া মানুহ প্ৰাণান্তেও মিছা কথা নোকোৱা হয় আৰু তেওঁৰ বাক্যই সত্যৰ প্ৰাতমূৰ্ত্তিৰ স্বৰূপহৈ উঠে। এইদৰে এনেকুৱা অবস্থা পালেই মানুহৰ বাক্য সিদ্ধ হয়। মানুহ যে [illegible] বাক সিদ্ধ অবস্থা লাভ কৰে তেতিয়া তেও সকলো মানুহৰে বিশ্বাসৰ পাত্ৰ হয়। তেতিয়া তেওঁক সকলোৱে দয়া কৰে, স্নেহ কৰে, ভক্তি কৰে আৰু তেওঁ প্ৰেমপূৰ্ণ হয়। তেতিয়া মানুহৰ অন্তৰৰ লুকাই থকা প্ৰেমপুষ্প তেওঁৰ ওপৰত বৰষিব ধৰে। আৰু তেওঁ এই প্ৰেমানন্দত মজি শান্তি লাভ কৰে।

(০) তাৰ পাচত মনৰ দ্বাৰা সত্য পালন (০)

যেনেকৈ বাক্যৰ দ্বাৰা সত্য পালন কৰিব লাগে তেনেকৈ মনৰ দ্বাৰাও সত্য পালন কৰিবলৈ সৰ্ব্বদাই যত্নবান হব লাগিব। মনৰ কাৰ্য্য হৈছে সৰ্ব্বদাই চিন্তা কৰা। গতিকে মনেৰে সত্য ব্ৰত পালন কৰা মানে সৰ্ব্বদাই সত্য চিন্তা কৰা। আমি যি কোনো কথা কোৱাৰ আগতে নাইবা যি কোনো কাম কৰাৰ আগতে মনেৰে সেই বিষয় চিন্তা কৰি তাৰ পাচতহে কওঁ বা কৰো। আমাৰ এই চিন্তাৰ গতি যেনেকুৱা হয় তাৰ ফলো ঠিক তেনেকুৱা হয়। এই চিন্তা যদি অসত্য বা কু-প্ৰবৃত্তি যুক্ত হয় তেন্তে কু-কৰ্ম্মত বা অসত্য কৰ্ম্মত লিপ্ত কৰি আমাক ধ্বংস কৰিব। আৰু চিন্তা যদি সত্য, সৎ

প্ৰবৃত্তি যুক্ত হয় তেন্তে ই আমাক সৎ-কৰ্ম্মত নিযুক্ত কৰিব আৰু পূৰ্ণানন্দ দান কৰিব। এতেকে যাতে আমাৰ চিন্তা পবিত্ৰ নিৰ্ম্মল আৰু সত্যপূৰ্ণ হয় তাৰ বাবে সদাই চেষ্টা কৰিব লাগিব। তেনেহলেহে সত্য পথত আগবাঢ়ি সত্য উপলব্ধি কৰিব পৰা হব আৰু স্বাধীনতা লাভ কৰিব পৰা হব। মনৰ দ্বাৰা যেনেকুৱা চিন্তা কৰিলে লোকৰ কোনো অনিষ্ট সাধন কৰা নহয় যেনেকুৱা চিন্তাৰ পৰা নিজৰ আৰু আনৰো কল্যানহে হয়, যি চিন্তা সাধাৰণ স্বাৰ্থ যুক্ত নহয়, যি চিন্তাৰ সুৰ সকলোৰে লগত মিল আছে যি চিন্তাত সকলোৰে অধীকাৰ আছে তেনেকুৱা চিন্তাই সত্য চিন্তা। জগত নানাৰকমৰ ঢৌৰ লগত প্ৰতি মুহূৰ্ত্ততেই নানা মূৰ্ত্তি ধাৰণ কৰি আমাৰ মনলৈ নানা চিন্তাৰ বেগ আহি আছে। সেইবোৰৰ প্ৰত্যেকেই নিত্য নতুন যেন বোধ হয়। সেইবাবে প্ৰতি মুহূৰ্ত্তে যাতে আমাৰ চিন্তা শক্তিয়ে সত্যপথ অবলম্বন কৰে তাৰ বাবে আমি সৰ্ব্বদাই লক্ষ্যকৰিব লাগিব।

সদাই উচ্চ চিন্তা কৰিব লাগে। সত্য পথৰ পথিক নাইবা সত্য উপলব্ধি কৰা, স্বাধীনতা লাভ কৰা, মহৎলোকৰ বিষয় চিন্তা কৰা সত্যব্ৰতী মানুহৰ নিতান্ত দৰ্কাৰ। সৰ্ব্বদাই নিজৰ লক্ষ্য যি প্ৰকৃত সত্য তাক নিজেই কেনেকৈ লাভ কৰিব পাৰি তাৰ বাবে গভীৰ চিন্তা কৰিব লাগিব। আনৰ পৰা কিবা এটা উপদেশ পালে সেইটো নিজে ভালদৰে ভাবি চিন্তিহে গ্ৰহণ বা ত্যাগ কৰাটো একান্ত আৱশ্যক। যদি কোনো এটা কথা কোনো এটা ভাব সামাজিক ভাবে আবদ্ধ থকাৰ বাবেই

হ'ক বা আন কোনো কাৰণেই হ'ক অনেক দিন ধৰি পালন কৰি থকা হয়, যদি নিজৰ চিন্তা শক্তিৰ দ্বাৰা তাক ঠিক মতে অসত্য বুলি বুজি পোৱা হয় তেন্তে তাক ত্যাগ কৰিবলৈ সদাই প্ৰস্তুত থাকিব লাগে। আৰু তাৰ বিষয় কোনো চিন্তা কৰাটো উচিত নহয়। সমাজত প্ৰচলিত নেথাকিলেও কোনো কথা বা ভাব যদি সত্য বুলি বুজি পোৱা যায় তেন্তে তাক সৰ্ব্বতোভাবে পালন কৰিবলৈ সাজু হৈ থাকিব লাগে। এইবোৰ বিষয়ত সম্পুৰ্ণ ভয় বিহীন আৰু আত্মবলে বলীয়ান হৈ নিজৰ চিন্তাশক্তিৰ পৰিচালনা কৰিব লাগিব। সভ্য সত্য গ্ৰহণ আৰু অসত্য ত্যাগৰ বাবে সাহসী আৰু মুক্তপ্ৰাণ হব লাগে। কোনো মানুহৰ পাপ কৰ্ম্মৰ বিষয় বা অসৎ চৰিত্ৰৰ বিষয় চিন্তা কৰা উচিত নহয়। এনেকুৱা চিন্তাই সময়তকৈ নিজৰ অত্যন্ত ক্ষতি কৰে। নিজৰ অসত্য পথলৈ টানি নিয়ে। আনৰ বিষয় কিবা চিন্তা কৰিলে তেওঁৰ ভিতৰত যিখিনি ভাল অংশ আছে তাৰে বিষয়হে চিন্তা কৰিব লাগে। তেনেহলে এইচিন্তাই উভয়ৰে মঙ্গল সাধন কৰিব।

নিজৰ আৰু জগতৰ স্থায়ীত্বৰ, অস্তিত্বৰ বিষয় সদাই চিন্তা কৰিব। সৰ্ব্বদাই সত্য বস্তু আত্মাৰ স্বৰূপ তত্ব লাভ কৰিবলৈ চিন্তা কৰা আৰু সৰ্ব্বব্যাপী পৰম আত্মাৰ লগত আত্মাৰ সম্বন্ধ বা একত্ব উপলব্ধি লাভ কৰিবলৈ চিন্তা কৰাটোৱে প্ৰকৃত সত্য চিন্তা। এই চিন্তাই সকলোতকৈ উচ্চ আৰু মহৎ চিন্তা গাতকে আন সকলো চিন্তাতকৈ এই চিন্তাৰ পৰা মনত আনন্দ

লাভ হয়। এই চিন্তাত নিমগ্ন থাকিলে মনত কেতিয়াও অসত্য চিন্তাই স্থান পাব নোৱাৰে। এই আত্ম চিন্তাত মনৰ চাঞ্চল্য দূৰলৈ গভিৰ হয়। এই চিন্তাত মন সম্পূর্ণ ভাবে স্থিৰলৈ শান্তি পায়। এইদৰে সর্ব্বতোভাবে সত্য চিন্তাত মনক নিযুক্ত ৰাখি অভ্যাস কৰোঁতে কৰোঁতে শেষত গৈ মন সত্যেৰে পূর্ণ হয়। তেতিয়া স্বভাবতে মন অসত্যৰ পৰা আতৰি থাকি সত্যৰ ফালে ঢাল লব আৰু সত্য চিন্তাত আবদ্ধ থাকিব।

শৰীৰৰ দ্বাৰা সত্য পালন।

যিদৰে বাক্য আৰু মনৰ দ্বাৰা সত্য কথা আৰু সত্য চিন্তাত নিযুক্ত থাকিবলৈ যত্নপৰ হব লাগে, সেইদৰে শৰীৰৰ দ্বাৰাও সত্য কর্ম্মত নিযুক্ত থাকিবলৈ সর্ব্বদাই যত্নপৰ হব লাগে। বাক্য আৰু কর্ম্মৰ পৰস্পৰ নেৰানেপেৰা সম্বন্ধ। প্ৰত্যেক বাক্যতেই প্ৰত্যেক চিন্তাতেই মানুহৰ কর্ম্ম উৎপন্ন হয়। গতিকে আমাৰ বাক্য চিন্তাৰ পৰা যিবোৰ কর্ম্ম উৎপন্ন হয় যাতে এই কর্ম্মৰ পৰা অসত্যৰূপে ফল উৎপন্ন নহৈ সত্য ৰূপেহে ফল উৎপন্ন হয় তাৰ বাবে সকলো সময়তে লক্ষ কৰিব লাগিব, আমাৰ এই দেহৰ দ্বাৰা যি কৰা হয় তাক সত্যক আশ্ৰয় কৰিহে কৰিবলৈ দৃঢ় প্ৰতিজ্ঞ হব লাগিব। তেনেহলেহে ঠিক মতে সত্যব্ৰতীহৈ সত্য উপলব্ধি কৰিব পৰা যাব।

আমাৰ ব্যক্তিগত শৰীৰ যাত্ৰাৰ বাবে যিবোৰ কর্ম্ম কৰা হয় প্ৰথমতে সেই বোৰকেক সত্যই আশ্ৰয় কৰিবলৈ প্ৰাণ পণে চেষ্টা কৰিব লাগিব। এইবোৰ কর্ম্মত যেতিয়া অসত্য

নথকা হৈ সত্যপূর্ণ হব তেতিয়া আমি দহৰ বা দেশৰ সেৱা কামবোৰো কৰিবলৈ যাওঁতে সত্যৰ আশ্ৰয়লৈ কৰিবলৈ পাৰিম। বাক্য আৰু চিন্তাৰ নিচিনা আমি আমাৰ প্ৰত্যেক সৰু সৰু কৰ্ম্মবোৰ কৰিবলৈ যাওঁতেও যাতে আন কাৰো প্ৰতি অন্যায় কৰা নহয় তাৰ প্ৰতি সৰ্ব্বদাই লক্ষ কৰিব লাগিব। এই কৰ্ম্মবোৰ কৰোঁতে শৰীৰ যাত্ৰাৰ বাবে অৰ্থোপাৰ্জ্জন কৰিব যাওঁতে পাৰ্য্যমানে আনৰ অধীনত নেথাকি আনৰ মুখাপেক্ষী নোহোৱাকৈ কৰিব লাগে। প্ৰত্যেক কৰ্ম্মতেই নিজৰ চিন্তা শক্তি সম্পূৰ্ণ খটাই কৰিব পাৰিব লাগে। নিজৰ চিন্তা নিজৰ ভাব আৰু উদ্দেশ্য মতে প্ৰত্যেক কৰ্ম্মকেই কৰিব লাগে। তেনেহলেহে মানুহে সত্য বিচাৰ কৰিবলৈ সুবিধা পাব আৰু সত্যক আশ্ৰয় কৰি কৰ্ম্ম কৰিব পাৰে। কৰ্ম্মৰ সৰু বৰ বিচাৰ নকৰি কি কৰ্ম্ম কৰিলে নিজে সত্য অসত্য বিচাৰ কৰি কৰিব পাৰি কি কৰ্ম্ম কৰিলে নিজৰ চিন্তা শক্তি সম্পূৰ্ণৰূপে নিজে পৰিচালনা কৰিব পাৰি সেইটোহে সদায় বিচাৰ কৰা একান্ত কৰ্ত্তব্য। কোনো কামক সৰু বুলি ঘৃণা কৰি স্বাধীন ভাবে কৰিব পাৰিলেও তাকে নকৰি বিলাসিতা আৰু আমোদ প্ৰমোদৰ ফালে লক্ষ্য কৰি নিজৰ স্বাধীনতা আনৰ ওচৰত বিক্ৰী কৰি আনৰ চাকৰী কৰিবলৈ গলে কেতিয়াও সত্যক আশ্ৰয় কৰি কাম কৰিব নোৱাৰি। কাৰণ ক্ষণস্থায়ী সুখৰ বিলাসিতা আৰু আমোদ প্ৰমোদকে স্বাধীনতাতকৈ বেচি মূল্যবান বুলি ভাবিবলৈ গলে মানুহৰ মন সঙ্কীৰ্ণ হৈ যায় আৰু ভয়াতুৰ

হয়। পৰৰ অধীনত থকা মানুহ সৰ্ব্বদাই প্ৰভুৰ মুখাপেক্ষী হৈ থাকিব লাগে। গৰাকীৰ ইচ্ছাৰ বিপৰীত হলে, সত্য হলেও সেই কাম নকৰি, অসত্য হলেও গৰাকীৰ ইচ্ছামতে হে কৰ্ম্ম কৰিব লগাত পৰে। পৰৰ অধীনত গৈ ধূনাপেচত থাকি টেবিল চিয়াৰৰ সহায়ত কৰ্ম্ম কৰে, নিজৰ চিন্তা, নিজৰ ভাব উদ্দেশ্যক আনৰ ওচৰত বিক্ৰী কৰি মন মাৰি থকাতকৈ স্বাধীন ভাবে হালবোৱা আদি পৰিশ্ৰম যুক্ত কৰ্ম্মই অতি শ্ৰেষ্ঠ। স্বাধীন কৰ্ম্মীয়ে নানা দুঃখ কষ্টৰ মাজেদি গৈও সত্য অসত্য বিচাৰ কৰি চলিবলৈ সম্পূৰ্ণ ক্ষমতা পায়। যাৰ স্বাধীন ভাবে চলিবলৈ ক্ষমতা আছে যাৰ শৰীৰত স্বাধীনতা আছে বুলি বিশ্বাস আছে, তেওঁ কেতিয়াও পৰৰ অধীনলৈ গৈ নিজৰ স্বাধীনতা নিজৰ সত্যতা বিক্ৰী নকৰে। স্বাধীনতাকামী মানুহে কেতিয়াও পৰিশ্ৰমৰ ভয়ত এলেহুৱা হৈ বিলাসিতাত ভোল গৈ নিজৰ নিজত্ব আনৰ ঠাইত নেহেকুৱায়। বিলাসিতা আৰু আমোদ প্ৰমোদ প্ৰিয় হাজাৰ হাজাৰ পৰাধীন মানুহে বেয়া বুলিব বুলি, ঘৃণা কৰিব বুলি ভয় কৰি স্বাধীনতা আৰু সত্যপ্ৰিয় মানুহে কেতিয়াও পৰিশ্ৰমযুক্ত বা হালবোৱা কাম কৰিবলৈ পাচ মুহুহকে। যি মানুহে স্বাধীন আৰু সত্য প্ৰিয়, তেওঁ এইবোৰ কাম কৰিও শান্তি লাভ কৰে। যি স্বাধীনতাৰ মোল নুবুজে, যি সত্য প্ৰিয় নহয় তেওঁ নানান ভোগ-বিলাসিতাৰ মাজত থাকিও শান্তি নাপায়। পৰৰ অধীনত থকা মানুহ ভয়াতুৰ। ভোগবিলাসিতাৰ পৰা বঞ্চিত

হব বুলি কিবা এটা সাধাৰণ বিভীষিকা দেখিলেই ভয়ত তং নোপোৱা হয়। গৰাকীৰ পৰা কটু কথা শুনি নানান অন্তৰত অশান্তি ভোগ কৰিও বাহ্যিক সুখৰ বশবৰ্ত্তী হৈ অবশেষত সেইটো ত্যাগ কৰিব নোৱাৰা হয়। যি মানুহে এনেকুৱা প্ৰকৃতি-যুক্ত তেওঁ নিজেও স্বাধীনতা নেপায় আৰু তেনে মানুহে দহৰ বা দেশৰো স্বাধীনতাৰ বিষয় কোনো চিন্তা বা কাম কৰিব নোৱাৰে।

এতেকে সত্যব্ৰতী মানুহে সকলো কাৰ্য্যতে নিজৰ স্বাধীনতা বোজায় ৰাখিহে কাম কৰাটো নিতান্ত দৰ্কাৰ। সকলো কথাত, সকলো চিন্তাত আৰু কৰ্ম্মত নিজৰ স্বাধীনতা ঠিক ৰাখি ভয়বিহীন হৈ চলিব লাগে। যি কথা সত্য বুলি বোধ হয়, তাকে কবলৈ, যি কৰ্ম্ম সত্য বুলি বুজি পোৱা যায় তাক কৰিবলৈ সৰ্ব্বদাই স্বাধীন আৰু সাহসী হব লাগে। অসত্য কথা কবলৈ বা অসত্য কৰ্ম্ম কৰিবলৈ সাহ কৰিলেহে অহঙ্কাৰা বুলি অভিহিত হয়। সত্যাগ্ৰহী সাহসীৰ অহঙ্কাৰ নাই। সত্যব্ৰতী মানুহ লোকপ্ৰিয় হয়। তেওঁ সৰ্ব্বদাই শান্ত কিন্তু, আত্মবলে বলীয়ান আৰু সাহসী।

এইদৰে কায় মন আৰু বাক্যৰ দ্বাৰা সত্যব্ৰত পালন কৰোতে যাৰ এচৰত অসত্যই স্থান নোপোৱা হয় তেওঁয়া সৰ্ব্বদাই আনন্দ-যুক্ত হৈ থাকে। তেওঁয়া আৰু তেওঁৰ নিজৰ আত্ম-জ্ঞানৰ বলত নিজৰ স্বাধীনতা নিজে লাভ কৰে আৰু শান্তি পায়।

বিশ্ব-প্ৰেম

প্ৰেম সকলোৰে প্ৰতি ঈশ্বৰ দত্ত আৰু ই প্ৰাণৰ আনন্দ দায়ক। প্ৰেম মানুহৰ সৰ্ব্ব-প্ৰধান আভৰণ। প্ৰেম থাকিলেহে মানুহ সুখ-শান্তি-প্ৰাপ্ত হব পাৰে। প্ৰেমিক মানুহ সদায় প্ৰফুল্ল হৈ থাকে। যাৰ হৃদয় প্ৰেমপূৰ্ণ তেওঁ সৰ্ব্বদাই ক্ষমাশীল আৰু সহিষ্ণু। প্ৰেমিক মানুহৰ অন্তৰ সদায় ভক্তি আৰু দয়াযুক্ত হৈ থাকে। প্ৰেমৰ বলত মানুহ সবল-প্ৰাণ আৰু প্ৰেমপাত্ৰ হয়। প্ৰেমেই মানুহৰ জীৱনী শক্তিৰ পৰিচয় দিয়ে। যাৰ অন্তৰত প্ৰেমৰ স্থান নাই, যি প্ৰেমিক নহয় তেওঁ শুকান মৰুভূমিৰ দৰে জীৱন থাকোতেই মৃত-কায়ৰ নিচিনা জড়-পদাৰ্থ। প্ৰেম যাৰ নাই তেওঁ আনন্দ নেপায়। প্ৰেমিক নহলে মানুহৰ সুখ-শান্তি নাই। প্ৰেমিক মানুহেই প্ৰকৃত সত্য উপলব্ধি কৰিব পাৰে। প্ৰেমিক মানুহেই হে আত্ম-জ্ঞান লাভ কৰে স্বাধীনতা প্ৰাপ্ত হয়।

মানুহ প্ৰেমিক হোৱা দৰ্কাৰ কিন্তু আসক্ত হব নেলাগে। প্ৰকৃত প্ৰেম আসক্তি নাই বন্ধন নাই। যত বন্ধন আছে যি ভাল পোৱাই মানুহৰ বন্ধন স্বৰূপ হয়, যি ভাল পোৱাই মানুহক আসক্ত কৰি সংকীৰ্ণ কৰে সি প্ৰকৃত ভাল পোৱা নহয়। সি প্ৰেম নহয়—সি বন্ধন। সি ভাল পোৱাই মানুহক আসক্ত নকৰে সংকীৰ্ণ কৰি নোতোলে, যি ভাল পোৱাত

উদাৰতা আছে স্বাৰ্থপৰতা নাই, য'ত সত্য আছে, সেয়েহে প্ৰকৃত ভাল পোৱা—সেয়েহে প্ৰেম। প্ৰেম সীমাবদ্ধ নহয়—ই ব্যাপক আৰু সমদৰ্শী। মই যদি আনক ভাল পাওঁ মোৰ প্ৰেম যদি আনৰ প্ৰতি আছে, তেন্তে যাৰ প্ৰতি মোৰ প্ৰেম আছে, যাক মই ভাল পাওঁ, তেওঁলোকেও আনক ভাল পাব লাগিব, তেওঁলোকৰো আনৰ প্ৰতি প্ৰেম ভাব থাকিব লাগিব, তেনেহলে প্ৰেমৰ সদ্ব্যৱহাৰ হব—তেনেহলেহে প্ৰেমৰপৰা শান্তি লাভ কৰিব পৰা যায়। গতিকে যাৰ প্ৰেম আছে, যি প্ৰেমৰ সদ্ব্যৱহাৰ কৰিব পাৰিছে, যি প্ৰেমৰ মহানন্দ লাভ কৰিছে—তেওঁৰ প্ৰেম কিছুমান নিৰ্দ্দিষ্ট লোকতে আবদ্ধ নহয়। তেওঁৰ হৃদয় সকলোকে ভাল পাবৰ কাৰণে প্ৰস্তুত। সকলোৰে কাৰণে তেওঁৰ হৃদয়-দ্বাৰ মুকলি। প্ৰকৃত প্ৰেমিকৰ কাৰো প্ৰতি কপটতা নাই। তেওঁ শত্ৰু-মিত্ৰ সকলোকে ভাল পাবলৈ জানে। প্ৰকৃত প্ৰেমিকৰ প্ৰেমত জাতি-বৰ্ণ, স্ত্ৰী-পুৰুষ নিৰ্ব্বিশেষে কোনো ৰকমৰ বৈষম্যৰ স্থান নাই উচ্চ-নীচ ভাব নাই।

যেনেকৈ নদীৰ সোঁত পৰ্ব্বতৰ কঠোৰতা ভেদ কৰি ধাৰাবাহিক ভাৱে বৈ অপাৰ সমুদ্ৰত পৰিছে, আৰু যেনেকৈ ইয়াৰ হৃদয় সকলোৰে কাৰণে মুক্ত, যেনেকৈ দেশ-কাল-পাত্ৰ ভেদে জাতি-বৰ্ণ স্ত্ৰী পুৰুষ উচ্চ-নীচ নিৰ্ব্বিশেষে সকলোৰে কাৰণে নদীয়ে নিৰ্ব্বিকাৰ ভাৱে সমভাৱে দান কৰিছে তাৰ পানীত সকলোকে সমান ভাৱে অধিকাৰ দিছে সেইদৰে প্ৰকৃত প্ৰেমিকৰ প্ৰেমৰ সোঁতেও কপট আৰু স্বাৰ্থৰ পৰ্ব্বত ভেদ

কৰি ধাৰাবাহিক ৰূপে বিশ্ব-জগতৰ ফালে বৈ যায় আৰু সকলো বিশ্বতেই বিস্তৃত হৈ পৰে। এইদৰেই মানুহৰ অৱশেষত গৈ বিশ্ব-প্ৰেম ওপজে। যেতিয়া মানুহৰ বিশ্ব-প্ৰেম ওপজে, তেতিয়া তেওঁ বিশ্বৰ সকলো প্ৰাণীৰ প্ৰতি স্নেহ-যুক্ত হয়। বিশ্ব-প্ৰেম যাৰ হৃদয়ত ওপজে তেওঁ সকলোকে সমভাৱে দৰ্শন কৰে সকলোৰে ভিতৰত যি এই জীৱনী শক্তি এই যি চৈতন্যময় আত্মা তেওঁ সেইটো অনুভৱ কৰিব পাৰে তেওঁ সেইটো উপলব্ধি কৰে আৰু তেওঁ তাক ভালকৈ চাব জানে। সেই কাৰণে তেতিয়া তেওঁ সকলো প্ৰাণীকে নিজৰ দৰে বিবেচনা কৰে। আনে কষ্ট পালে, আনৰ দুঃখ দেখিলে তেওঁ তাৰ কাৰণে দুঃখীত হয়। আনৰ আনন্দ দেখিলে তেতিয়া তেওঁ নিজেও আনন্দ অনুভৱ কৰে। এই দৰে যাতে বিশ্বৰ সকলোৱে আনন্দ লাভ কৰে—সকলোৱে শান্তি পায় তেওঁ তাৰ কাৰণে চিন্তা কৰে—তাৰ কাৰণে চেষ্টা কৰে। সকলোৰে যি আনন্দ সকলোৰে যি শান্তি—সেয়ে বিশ্বপ্ৰেম। সকলোৰে আনন্দ আৰু শান্তিত যি নিজৰ বুলি অনুভৱ কৰে তেৱেঁ বিশ্বপ্ৰেমিক। প্ৰেমিক হবলৈ হলে বিশ্বপ্ৰেম লাভ কৰিবলৈ হলে মানুহ আত্মজ্ঞানী হব লাগে, আত্ম-নিৰ্ভৰশীল হব লাগে। বিশ্বপ্ৰেমৰ মহানন্দ ভোগ কৰিবলৈ হলে মানুহে নিজৰ শক্তিত নিজে থিয় দিব পাৰিব লাগে। মানুহে নিজৰ যি স্বাধীনতা তাক বুজি পাব লাগে। মানুহ স্বাধীন হব লাগে। যাৰ আত্মজ্ঞান নাই, আত্মনিৰ্ভৰতা নাই—যি নিজৰ শক্তি নিজৰ

স্বাধীনতা বুজি নেপায়—যি মানুহ পৰাধীন তেওঁ প্ৰেমিক হব নোৱাৰে, এই বিশ্বপ্ৰেমৰ যি আনন্দ তাক তেওঁ অনুভব কৰিব নোৱাৰে। কাৰণ যি মানুহে নিজৰ স্বাধীনতা মূল্য নুবুজি সামান্য ভোগ বিলাসিতাৰ আলাসত আবদ্ধ হৈ পৰৰ ওচৰত দাসত্বৰ শিকলি স্বইচ্ছাই গলত পিন্ধি লয় তেওঁ নিজৰ শক্তি নিজে বুজি নেপায়। পৰাধীন মনৰ মানুহে নিজক সৰ্ব্বদাই দুৰ্ব্বল বুলি ভাবে। যাৰ মন পৰাধীন, যি স্বাধীনতাৰ মোল নুবুজে তেনে মানুহেহে দাসত্ব ভাল পায়—তেনে মানুহেহে শৰীৰ যাত্ৰাৰ বাবে কষ্ট কৰিব লাগিব বুলি বা উপায় নেপাব বুলি নাইবা সামান্য ক্ষণস্থায়ী ভোগ-বিলাসত মুগ্ধ হৈ পৰৰ দাস হয়—পৰৰ চাকুৰি কৰিবলৈ হেপাহ কৰে। তেওঁ শৰীৰ যাত্ৰাৰ বাবে নিজে স্বাধীন ভাবে কিবা কৰিব লাগিলে সৰ্ব্বনাশ হব বুলি ভাবে, কিন্তু আনৰ দাসত্বৰ ভিতৰত থাকিলে সকলোকে কৰিব পাৰে। তেতিয়া হলে বাধ্য হৈ সম্পূৰ্ণৰূপে খাটিবলৈকো কুণ্ঠিত নহয়। এই পৰাধীন শ্ৰেণীৰ মানুহে আনকো দাস হবলৈহে শিকায়। দাসত্বকে সুখ বুলি তেওঁলোকে সকলোৰে ওচৰত ব্যাখ্যা কৰে। তেওঁলোকে এইদৰে দেশখনকো আনৰ ওচৰত পৰাধীন হৈ থাকিলেহে ভাল বুলি বিবেচনা কৰে। নিজে যেনেকৈ স্বাধীন ভাবে চলিব লাগিলে উপায় নেপাব বুলি ভয় কৰে তেনেকৈ আনকো ভয় দেখুৱায়, তাক দেশখনো স্বাধীন ভাবে চলিব লাগিলে উপায় নহব বুলি নানা ভাবে ব্যাখ্যা কৰে। পৰকীয়ে যদি দেশৰ সৰ্ব্বসাধাৰণ

ভ্ৰাতৃবৃন্দৰ ৰক্তমাংস শোষণ কৰি লৈ যায়, তথাপি খেদা খাব বুলি ভাব নানাৰৰমে গৰাকীৰ গুণহে বাখ্যা কৰে। এইদৰে তেওঁলোকে দেশৰো পৰাধীনতা আনে আৰু স্বাধীনতাৰ পথত ভেটা দিয়ে।

গতিকে এই পৰাধীন শ্ৰেণীৰ মানুহে প্ৰেম কি বুজিব নোৱাৰে। তেওঁলোকে কাম আদি ৰিপু-বোৰৰ অত্যাচাৰকে প্ৰেমৰ স্পন্দন বুলি বিবেচনা কৰে। ৰিপুৰ উত্তেজনাকে তেওঁলোকে প্ৰেম বুলি মানুহৰ ওচৰত বহুৰকমে প্ৰচাৰ কৰে। এইদৰে মানুহ বাহিৰে-ভিতৰে পৰাধীন হৈ যায়। পৰাধীন মানুহে যেনেকৈ ৰিপুৰ উত্তেজনাকে ৰিপুৰ অত্যাচাৰকে ভুলতে প্ৰেম বুলি ধৰি লয়, সেইদৰে ভণ্ডামিকে তেওঁলোকে ধৰ্ম্ম বুলি প্ৰচাৰ কৰে। পৰাধীনতাকে ধৰ্ম্ম বুলি ৰাখ্যা কৰে। আনৰ দাসত্বৰ ভিতৰেদি ঈশ্বৰৰ তত্ত্বজ্ঞান লাভ কৰিবলৈ ইচ্ছা কৰে। দুৰ্ব্বলতাৰ কাৰণে আনৰ দাস হৈ থাকি সেইটো ঈশ্বৰৰ অনুগ্ৰহ বুলি ভাবে। আনে দেখুৱাই দিলেহে তেওঁলোকে সত্য উপলব্ধি কৰিব পাৰিব, আনে আনি দিলেহে শান্তি পাব, নাইবা তেওঁলোকৰ নিজৰ চেষ্টাত সত্য অন্বেষণ কৰি সত্যউপলব্ধি কৰিব পৰাটো অসম্ভৱ বুলি বিবেচনা কৰি সৰ্ব্বদাই পৰৰ মুখাপেক্ষী হৈ থাকে আৰু পৰৰ দাসত্বত কাল কটায়। তেওঁলোকে বুজি নেপায় যে ঈশ্বৰতত্ত্ব লাভ কৰিবলৈ হলে পূৰ্ণসত্য উপলব্ধি কৰিবলৈ হলে সম্পূৰ্ণ নিজৰ শক্তিৰ দৰ্কাৰ। আৰু সকলো চেষ্টাই সকলো কাৰ্য্যই নিজৰ ওপৰতে

নির্ভৰ কৰে। স্বাধীন মনৰ মানুহে সকলো কার্য্যতে নিজৰ ওপৰত নির্ভৰ কৰে। স্বাধীন মানুহে আত্মজ্ঞানৰ সহায়ত এই বিশ্বজগতৰ সকলোৰে পৰা অভিজ্ঞতা লাভ কৰিব পাৰে। তেওঁ বিশ্বৰ সকলোৰে পৰা অভিজ্ঞতা লাভকৰি সত্যউপলব্ধি কৰি, ঈশ্বৰৰ তত্বজ্ঞান উপলব্ধি কৰে। স্বাধীন মানুহে প্রেম কাক বোলে তাক বুজি পাব পাৰে। প্রেমৰ ব্যৱহাৰ কৰিব পাৰে। স্বাধীন মনৰ মানুহে নিজৰ শক্তি বুজি পায়। সেই কাৰণে তেওঁ শৰীৰ যাত্রাৰ পৰা আৰম্ভ কৰি পূর্ণ-সত্য-প্রাপ্ত অবস্থালৈকে নিজৰ ওপৰতে নিজৰ স্বাধীনতাৰ ওপৰতে নির্ভৰ কৰি চলে যিদৰে তেওঁ আত্মনির্ভৰ কৰি চলে—সেইদৰে আনকো আত্ম নির্ভৰ কৰিবলৈ শিকায় সকলোকে স্বাধীন হবলৈ শিকায়। এইদৰে যি সকল স্বাধীন মনৰ মানুহ তেওঁ-লোকে আনৰো দাসত্ব শৃঙ্খল গুচাবলৈ যত্ন কৰে। আৰু দেশতো স্বাধীনতাৰ বাবে চিন্তা কৰে আৰু যত্ন কৰে। এনেকুৱা মানুহৰ দ্বাৰাই দেশৰ স্বাধীনতা ৰক্ষা হয়। স্বাধীন মানুহেই প্রেমৰ যি আনন্দ তাক আয়ত্ব কৰিবলৈ সক্ষম হয়। স্বাধীন মানুহৰাহে এইদৰে যে বিশ্ব-প্রেম উপজে আৰু বিশ্ব-প্রেমৰ মহানন্দত তেওঁহে মজি থাকিবলৈ জানে। আৰু তেওঁ এইটো বুজি পায় যে আমি এই বিশ্বৰ সকলোৰে আচলতে প্রেম-পূর্ণময় আৰু আমি সকলোৰে পূর্ব্বতে এই প্রেমতেই আছিলোঁ, এতিয়াও আছো, ভবিষ্যতেও থাকিম। মাত্র জ্ঞানৰ অভাৱতেইহে আমি এইটো পাহৰি নানান অশান্তি ভোগ কৰো।

সেইবাবে এই প্ৰেমানন্দ তেওঁ নিজে যেনেকৈ লাভ কৰে, তেনেকৈ বিশ্বৰ সকলোৰে প্ৰেম আকৰ্ষণ কৰে। সকলোৰে প্ৰেম কামনা কৰে। এই প্ৰেমৰ কাৰণেই তেওঁ বিশ্বৰ সকলোৰে স্বাধীনতা কামনা কৰে। বিশ্বৰ সকলোৰে স্বাধীনতাই, পূৰ্ণ সত্যলাভেই, বিশ্বৰ শান্তিলাভেই বিশ্বপ্ৰেমিকৰ লক্ষ্য। এইয়ে বিশ্বপ্ৰেম।

—"শান্তি"—

বিশ্বৰ সকলো প্ৰানীৰ শেষ লক্ষ্য হৈছে এই শান্তি। শান্তিলাভেই সকলোৰে মুখ্য উদ্দেশ্য। যদিও বাহ্যিক আকাৰত বেলেগ বেলেগ দেখা যায়, যদিও নানা মানুহে নানা পথ ধৰি চলি যোৱা দেখা যায়, যদিও ভাল বেয়া বহুৰকমৰ কৰ্ম্মত পৰিলিপ্ত হৈ থকা দেখা যায়, তথাপি অনুসন্ধান কৰি চালে আমি দেখিবলৈ পাও যে সকলোৰে লক্ষ্য হৈছে একেটাই। এই বিভিন্ন প্ৰকাৰৰ কৰ্ম্মবোৰৰ ভিতৰেদি চলি যাওতে কমবেচি ভাবে হলেও সকলোৰে হাবাথুৰি খায় সেই একেটা অৱস্থালৈ লক্ষ্য কৰিয়েই। গৃহী, সন্ন্যাসী, ব্ৰহ্মচাৰী, যতি, চোৰ ডকাইত, সাধু মুৰ্খ, পণ্ডিত, ৰজা-প্ৰজা, স্ত্ৰী-পুৰুষ আদি সকলোৰে সেই একেটাই লক্ষ্য। দাৰ্শনিক বৈজ্ঞানিক পূজাৰী, উপাসক, সাধক যোগী, ভক্ত, জ্ঞানবাদী, কৰ্ম্মবাদী,শাস্ত্ৰকাৰ, কবি আৰু চিত্ৰকৰ শিল্পী, কৃষক আদি কৰি যত আছে সকলোৰে লক্ষ্য একেটাই। এইদৰে বিশ্বৰ সকলো প্ৰানীৰেই একেটাই লক্ষ্য। সংসাৰৰ নানাৰকমৰ ভাৱনাবোৰত যোগ দৈ, নানাজনে নানাবিধৰ ভাও লৈ প্ৰত্যেকেই বেলেগ, বেলেগ ভাওৰীয়া ৰূপ ধাৰণ কৰে। এই নিজ নিজ ভাওবোৰৰ কৰ্ম্মসমূহ জড়িত হৈ প্ৰত্যেকেই পৰিশ্ৰম আৰু অনেক দুঃখ কষ্টবোৰ নিজে অনুভৱ কৰিব পাৰিলেও সময়ত ইয়াৰ ওৰ পৰিব বুলি আশা কৰি ইয়াৰ কৃত

কার্য্যতা লাভ কৰিব বুলি ভাবিয়ে দুখঃকষ্ট বোৰ বৰণ কৰে। একমাত্র এই শান্তিৰ কাৰণেই সকলোবোৰ বৰণ কৰি লয়। ইয়াতেই সকলোৰে গৈ ওৰ পৰে আৰু একমাত্র শক্তিয়েই সকলোৰে সম্পূর্ণ কৃতকার্য্যতাৰ স্বৰূপ।

সাধাৰণতঃ মানুহে (বা আন প্রানীয়েও) জ্ঞানৰ অভাৱত এই শান্তি পাবলৈ ইচ্ছা কৰে—প্রত্যেকৰে বক্তিগত সঙ্কীর্ণ স্বার্থৰ ভিতৰেদি। সেই বাবেই যেনেকৈ ঘোপমৰা অন্ধকাৰ মেঘাচ্ছন্ন ৰাতি অচিনাকী বাটত মানুহে ঘপিয়াই ফুৰি অশান্তি ভোগ কৰে তেনেকৈ সাংসাৰিক কর্ম্ম সমুহত জড়িত হৈ শান্তিৰ ঠাইত অশান্তি ভোগ কৰিব লাগে আৰু অনন্ত কাল ব্যাপি ঘুৰি ফুৰিব লগা হয়। কাৰণ এজনৰ ব্যক্তিগত সংকীর্ণ স্বার্থ পূৰণ কৰিব গলে আন কিছুমানক আঘাত দিব লগাত পৰে। তেওঁলোকেও ইজনৰ ওপৰত বা আন কিছুমানৰ ওপৰত আঘাত দিবলৈ বাধ্য হব আৰু সেইদৰে কষ্ট কৰিব। স্বার্থৰ কাৰণে আনক পাচ পেলাই থৈ নিজে আগ বাঢ়িব যাওতে পৰস্পৰে আঘাত পাব লগাত পৰে। ইয়াৰ বাবেই নানা ক্ষণস্থায়ী সুখ আৰু দুখ ভুগিব লগে। এই ব্যক্তিগত স্বার্থপৰতা থাকে মানেই মানুহ স্থিৰ ভাব ধাৰণ কৰিব নোৱাৰি চঞ্চল হয়। সেই বাবেই স্বার্থপৰতা থাকে মানে মানুহে শান্তি পাব নোৱাৰে। যেতিয়া সঙ্কীর্ণ স্বার্থপৰতা সমূলি দূৰ হৈ বিশ্বৰ লগত নিজৰ একত্ব উপলব্ধি হয় তেতিয়াহে মানুহে শান্তি পায়। নিজে যি কোৱা হয়, নিজে যি চিন্তা কৰা হয়, নিজে যি কর্ম্ম কৰা হয় তাত বিশ্বৰ

PLEASE HANDLE THE BOOK CAREFULLY

সকলোৰে সমান অধিকাৰ থাকিব লাগে। এইবোৰ এনেদৰে মুক্ত হব লাগে যাতে এই সকলৰ দ্বাৰা আন কাৰো মনত আন কাৰো ওপৰত অলপো আঘাত কৰা নহয়। তেনেহলে আনৰ ওপৰত আঘাত নকৰিলে আনৰ পৰাও কোনো আঘাত নেপাব। এইদৰে নিজৰ স্বাৰ্থ বিশ্বৰ লগত মিলাই দিয়া মানেই বিশ্বৰ লগত নিজৰ একত্ব উপলব্ধি কৰা; সকলোতে নিজক আৰু নিজত সকলোকে যেতিয়া দেখিব অৰ্থাৎ সকলোকে নিজৰ নিচিনা আৰু সকলোৰে নিচিনা নিজক দেখিব পাৰিলে তেতিয়া এই বিশ্বব্যাপি ঈশ্বৰক নিজতে আৰু তেওঁতে নিজক আয়ত্ব কৰিব পৰা যাব। এইদৰে বিশ্বৰূপ ঈশ্বৰ সকলো বিশ্বতে, বিশ্বৰ জীৱনী শক্তিয়ে তেওঁ। সেয়েই "মই" সেই জীৱনী শক্তি, তেওঁতেই "মই" অৰ্থাৎ "মই" আৰু তেওঁ এক। এইয়েই সত্য পূৰ্ণ স্বাধীনতা-নিৰ্ব্বান শান্তি।

ওঁ শান্তি !

DISTRICT LIBRARY
(HEM BARUA COLLECTION)
TEZPUR.